# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰজ্যোতি'ঃ এটি সমীক্ষা (১৯৭০-২০১৩ চনলৈ)

ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
অসমীয়া বিভাগ

পৰম পূজনীয় শিক্ষাগুৰু শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱে 'জৱাহৰ জ্যোতিৰ কুৰিটা সংখ্যাত এভুমুকি'-শীৰ্ষক শিৰোনামাৰে 'জৱাহৰজ্যোতি'ৰ একবিংশ সংখ্যাৰ এটি গুৰুত্ব তথা তথ্যপূৰ্ণ আলোচনা আগবঢ়াইছে। দত্ত ছাৰৰ আলোচনাত জৱাহৰজ্যোতিৰ প্ৰথম কুৰিটা সংখ্যাত সন্নিবিষ্ট প্ৰায়বোৰ লিখনিৰ এটি পৰিচয় আৰু বিচাৰ-বিশ্লেষণ দাঙি ধৰিছে। তদুপৰি প্ৰথম সংখ্যাৰ পৰা বিংশ সংখ্যালৈকে অসমীয়া আৰু ইংৰাজী ভাষাত লিখা বিভিন্ন লিখনিৰ এখনি তালিকাও দিছে। উক্ত তালিকাত অসমীয়া আৰু ইংৰাজী ভাষাত লিখা কবিতা, গল্প, প্ৰৱন্ধ, গীত, একাংকিকা নাট, ভ্ৰমণ কাহিনী, সাক্ষাৎকাৰ ইত্যাদিৰ এটি সংখ্যা নিৰ্দ্ধাৰণ কৰিছে। আমাৰ এই নিঃকিন আলোচনাত দত্ত ছাৰৰ আলোচিত বিষয়বোৰৰ পুণৰুক্তি কৰিব বিচৰা নাই; মাথোন উক্ত আলোচনাত সন্নিৱিষ্ট নোহোৱা দুই এটি বিষয় উনুকিয়াব যত্ন কৰা হৈছে মাথোন। আমাৰ এই আলোচনাত প্ৰৱন্ধটিৰ বৃহৎ কলেবৰ হ'ব বুলিয়েই ইংৰাজী আৰু বড়ো এই দুটা বিভাগ সামৰা নাই। বড়ো বিভাগৰ মুৰব্বী অধ্যাপিকাই ইতিমধ্যে বড়ো বিভাগৰ ওপৰত এটি আলোচনা প্ৰস্তুত কৰা বুলি জানিব পাৰিছোঁ।

১৯৬৪ ইং চনতে স্থাপিত হোৱা মহাবিদ্যালয়খনে ১৯৬৯ ইং চনলৈকে মুখপত্ৰ হিচাপে কোনো আলোচনী প্ৰকাশ কৰিব পৰা নাছিল। আৰ্থিক দিশটোৱেই আছিল ইয়াৰ অন্যতম প্ৰধান কাৰণ। ১৯৬৯ ইং চনৰ ১ছেপ্তেম্বৰ তাৰিখৰ পৰা মহাবিদ্যালয়খনে চৰকাৰৰ পৰা ঘাটি-মঞ্জুৰি লাভ কৰিবলৈ সমৰ্থ হয়। সেয়ে প্ৰতিষ্ঠা হোৱাৰ সুদীৰ্ঘ পাঁচ বছৰৰ পিছত ১৯৭০-৭১ ইং চনৰ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰজ্যোতি'য়ে আত্ম প্ৰকাশ কৰে।

প্ৰথমটি সংখ্যা প্ৰকাশ হোৱাৰ পাছতেই সুদীৰ্ঘ চাৰিটা বছৰৰ শিক্ষাবৰ্ষত (১৯৭১-৭২, ১৯৭২-৭৩, ১৯৭৩-৭৪ আৰু ১৯৭৪-৭৫) 'জৱাহৰজ্যোতি' প্ৰকাশ নহ'ল। 'জৱাহৰজ্যোতি'ৰ এই থমকি ৰ'ব লগা কাৰণটো ইতিমধ্যে উল্লেখ কৰা হৈছে। কিন্তু ১৯৭৫-৭৬, ১৯৭৬-৭৭ আৰু ১৯৭৭-৭৮ এই তিনিটা শিক্ষাবৰ্ষত জৱাহৰজ্যোতি প্ৰকাশ পায়। ১৯৭৯ চনত 'সদৌ অসম ছাত্ৰ সন্থা'ৰ উদ্যোগত আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলনে অসমৰ শিক্ষা, সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনত বাৰুকৈ প্ৰভাৱ পেলোৱাত শৈক্ষিক পৰিৱেশ প্ৰায় স্তব্ধ হৈ পৰে। সেয়ে ১৯৭৮-৭৯ আৰু ১৯৭৯-৮০ ইং চনৰ শিক্ষা বৰ্ষত জৱাহৰজ্যোতি প্ৰকাশ নহ'ল। ইয়াৰ পাছত জৱাহৰজ্যোতিয়ে সুদীৰ্ঘ ২৯তম্ সংখ্যালৈকে একেৰাহে প্ৰকাশ হৈ থাকিল। অনিবাৰ্য কাৰণ বশতঃ ২০০৭-২০০৮ শিক্ষাবৰ্ষত ৩০তম্ সংখ্যাটো প্ৰকাশ নহ'ল। ৩১তম্ সংখ্যাৰ পৰা বৰ্তমানলৈ 'জৱাহৰজ্যেতি' নিয়মীয়া ভাবে প্ৰকাশ হৈ আহিছে।

**জৱাহৰজ্যোতিৰ সম্পাদকীয় প্ৰসংগঃ**
**(প্ৰথম সংখ্যাৰ পৰা পঞ্চত্ৰিংশ সংখ্যালৈ)**

প্ৰথম সংখ্যাৰ (১৯৭০-৭১) সম্পাদকীয় প্ৰসঙ্গত যুৱ ছাত্ৰ-শক্তিৰ অস্থিৰতা, শিক্ষা আৰু শিক্ষিত নিবনুৱা, মূল্যবৃদ্ধিৰ সমস্যা, বাংলাদেশৰ ভগনীয়া সমস্যা, কলেজৰ উন্নতিকৰণ ইত্যাদি কথাই ঠাই পাইছিল। দ্বিতীয় সংখ্যাৰ (১৯৭৫-৭৬) 'সম্পাদনা সমিতি'ৰ এষাৰ, সাহিত্য এটা জাতিৰ দাপোণ

স্বৰূপ-এই সন্দৰ্ভত এটি চমু আলোচনা আগবঢ়ায় আৰু শেষত 'জৱাহৰজ্যোতি'য়ে "চিৰ চেনেহী ভাষাজননীৰ বেদী পোহৰাই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত অৰিহণা যোগাওঁক"- এই কামনাৰে সামৰিছে। তৃতীয় সংখ্যাৰ (১৯৭৬-৭৭) সম্পাদকীয় প্ৰসঙ্গত সাহিত্য সৃষ্টিত সাধনাৰ প্ৰয়োজনীয়তা, মৌলিক আৰু সৃজনীমূলক ৰচনা-পাতিৰ সৃষ্টিৰ গুৰুত্বই প্ৰধানকৈ ঠাই পাইছে। চতুৰ্থ সংখ্যাত (১৯৭৭-৭৮) যুৱ ছাত্ৰ শক্তি, শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন, নিৰক্ষৰতা দূৰীকৰণ, সাহিত্য আৰু ক'লা- ইত্যাদি বিষয়ে স্থান পাইছে।

প্ৰথম সংখ্যাৰ পৰা চতুৰ্থ সংখ্যালৈকে 'সম্পাদকীয়' শিতান অংশটি আলোচনীখনৰ শেষৰফালে স্থান পাইছিল; কিন্তু পঞ্চম সংখ্যাৰ পৰা উক্ত শিতানটি সূচীপত্ৰৰ আৰম্ভণিত স্থান লাভ কৰিবলৈ ধৰিলে। পঞ্চম সংখ্যাৰ সম্পাদকীয়ত অবৈধ বিদেশী বহিষ্কৰণ, অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অসমৰ স্কুল-কলেজ, অফিচ-কাৰখানাৰ অচলাৱস্থা আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰসঙ্গ অৱতাৰণা কৰি এখন বিস্তৃত স্বয়ংসম্পূৰ্ণ অসমীয়া অভিধানৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ৬ষ্ঠ সংখ্যাৰ (১৯৮১-৮২) সম্পাদকীয় শিতানত সাম্প্ৰতিক অসমীয়া আলোচনী সম্পৰ্কে বহলাই আলোচনা কৰিছে। সাধাৰণতে আলোচনীসমূহ জাতি-এটাৰ সমসাময়িক প্ৰাণ সত্তাৰ দাপোণ স্বৰূপ। জাতি এটাৰ হাঁহি-কান্দোন, সুখ-দুখ, আশা-আকাংক্ষা সম-সাময়িক আলোচনীৰ পাতে পাতে প্ৰতিফলিত হোৱাটো কেৱল স্বাভাৱিকে নহয়, অপৰিহাৰ্যও।

সপ্তম সংখ্যাৰ (১৯৮৩-৮৪) সম্পাদকীয় শিতানত অসমৰ জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনৰ বিষয়টো প্ৰধানকৈ গুৰুত্ব পাইছে। তদুপৰি সাম্প্ৰতিক দুৰ্ণীতিৰে ভৰা জাতীয় জীৱন আৰু সমকালীন অসমীয়া সাহিত্যৰ বিষয়টোৰ ওপৰতো দৃষ্টিপাত কৰিছে। অষ্টম সংখ্যাত (১৯৮৫-৮৬) পুনৰ সাহিত্যৰ প্ৰসঙ্গ অৱতাৰণা হৈছে। নৱম সংখ্যাত (১৯৮৬-৮৭) 'থূল মূল আষাৰ চেৰেক ঃ অসমীয়া সাহিত্য আৰু সাহিত্যিক সন্দৰ্ভত' শিৰোনামেৰে অসমীয়া সাহিত্য আৰু সাহিত্যিক সম্পৰ্কে আলোচনা কৰিছে। দশম সংখ্যাত (১৯৮৭-৮৮) অসমৰ বানপানীৰ সমস্যা সম্পৰ্কে আলোকপাত কৰিছে। তদুপৰি পাঠ্যপুথি, শৈক্ষিক-পৰিৱেশ সম্পৰ্কত আলোচিত হৈছে। একাদশ সংখ্যাত (১৯৮৮-৮৯) 'দেশৰ সমস্যা সমাধানৰ দায়িত্ব কাৰ' সম্পৰ্কত সংক্ষিপ্ততাৰে কিছু কথা আলোচনা কৰিছে। তদুপৰি পাঠ্যক্ৰমৰ সঘন সলনিৰ অশুভ পৰিণতি, হিংসাৰ জুইত বিপন্ন সভ্যতা ইত্যাদিৰ বিষয়ে আলোচনা কৰিছে। দ্বাদশ সংখ্যাত (১৯৮৯-৯০) শিক্ষান্ত পৰীক্ষা সমূহৰ ফলাফল সম্পৰ্কত দৃষ্টিপাত কৰিছে। ফলাফল উন্নতি কৰিবলৈ হ'লে চৰকাৰ, শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলে নিজা দায়িত্ববোধ যথাযথভাৱে পালন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তদুপৰি দেশৰ সাম্প্ৰতিক পৰিস্থিতি, আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা ঃ বেইজিং, এছিয়াড আৰু ভাৰতবৰ্ষ ইত্যাদি বিষয়তো আলোচনা কৰে।

ত্ৰয়োদশ সংখ্যাত (১৯৯০-৯১) হিংসা আৰু উত্তেজনাৰে ভৰি পৰা সমগ্ৰ বিশ্বৰ প্ৰসঙ্গ অৱতাৰণা কৰি "আমি এবাৰ গান্ধীজীক মনত পেলাওঁ আহক" শীৰ্ষক আলোচনা আগবঢ়াইছে। চতুৰ্দশ সংখ্যাত (১৯৯১-৯২) উশৃঙ্খল যুৱ-মানসিকতা, পৰীক্ষাগৃহত নকল, অবাঞ্ছিত অৰ্থহীন মৃত্যু সম্পৰ্কত আলোচনা কৰিছে। পঞ্চদশ সংখ্যাৰ সম্পাদকীয় প্ৰসঙ্গত (১৯৯২-৯৩) অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত এটা যুক্তিযুক্ত আলোচনা আগবঢ়াইছে। 'সংস্কৃতি নে অপসংস্কৃতি' শীৰ্ষক আলোচনা সময় উপযোগী হৈছে। উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা পদ্ধতি সম্পৰ্কত সম্পাদকৰ মনলৈ অহা প্ৰশ্নকেইটা একো একোটা অকাট্য যুক্তি হৈছে। ষষ্ঠদশ সংখ্যাৰ (১৯৯৩-৯৪) সম্পাদকীয়ত সাহিত্য সাধনা আৰু চৰ্চাৰ ওপৰত গুৰুত্ব দিছে। সপ্তদশ সংখ্যাত (১৯৯৪-৯৫) অসমীয়া ভাষাৰ সংকট সম্পৰ্কে আলোচনা কৰিছে। তদুপৰি নতুন অৰ্থনীতি আৰু মহাবিদ্যালয় সম্পৰ্কত ইতিবাচক আলোচনা কৰিছে। অষ্টাদশ সংখ্যাত (১৯৯৫-৯৬) হত্যা, লুণ্ঠন অপহৰণ, ধৰ্ষণ, গোষ্ঠী সংঘৰ্ষৰ বন্ধ ইত্যাদি সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কত আলোকপাত কৰিছে। ঊনবিংশ সংখ্যাত (১৯৯৬-৯৭) 'ভাষা আৰু সাহিত্য' সম্পৰ্কে আলোচনা কৰিছে। তদুপৰি বিদেশী সাহিত্য অধ্যয়নৰ গুৰুত্ব সম্পৰ্কীয় আলোচনা কৰিছে। বিংশ সংখ্যাত (১৯৯৭-৯৮) ৰাজ্যখনলৈ পুনৰ শান্তি ঘূৰি অহাৰ প্ৰসঙ্গ অৱতাৰণা কৰিছে। একবিংশ সংখ্যাত (১৯৯৮-৯৯) একবিংশ শতিকাৰ প্ৰত্যাহ্বানসমূহক আদৰাৰ ওপৰত গুৰুত্ব দিছে। দ্বাবিংশ সংখ্যাত (১৯৯৯-২০০০) কুৰি শতিকাৰ অৱসান -নতুন সহস্ৰাব্দৰ আদৰণি আৰু অসমৰ অস্তিত্বৰ অৱস্থা সম্পৰ্কে আলোচনা কৰিছে। ত্ৰয়োবিংশ সংখ্যাত(২০০০-২০০১) শিক্ষা ব্যৱস্থা, শৈক্ষিক পৰিৱেশ আৰু মানৱ সম্পদ উন্নয়ন সম্পৰ্কত দৃষ্টিপাত কৰিছে। প্ৰসঙ্গক্ৰমে সাম্প্ৰতিক অসমৰ পৰিস্থিতি সম্পৰ্কেও এটি আলোচনা দাঙি ধৰিছে। চতুৰ্বিংশতিতম সংখ্যাত

(২০০১-২০০২) অসমৰ সাম্প্ৰতিক পৰিস্থিতিয়ে প্ৰধানকৈ স্থান পাইছে।

জৱাহৰজ্যোতিৰ ২৫ আৰু ২৬ তম্ সংখ্যা দুটি একেলগে প্ৰকাশ পাইছে (২০০২-০৩, ২০০৩-০৪) উক্ত সংখ্যাদ্বয়ত প্ৰধানকৈ সাহিত্যৰ প্ৰসঙ্গই স্থান লাভ কৰিছে। ২৭ তম্ সংখ্যাৰ (২০০৪-২০০৫) সম্পাদকীয়ত 'অনুভূতিৰ কলাজ' শীৰ্ষক আলোচনাত বকো বজাৰ, ব'ম্ব আৰু গধূলি, দেশ আৰু সময় সম্পৰ্কত আলোচনা কৰিছে। অষ্টবিংশতিতম সংখ্যাত (২০০৫-২০০৬) শিক্ষাৰ গোলোকীকৰণ, বাণিজ্যিকীকৰণ, আকাংক্ষাৰ বিশ্বায়নৰ সামান্য অনুভূতি প্ৰকাশ পাইছে। ঊনত্ৰিংশতম্ সংখ্যাত (২০০৬-২০০৭) সাম্প্ৰতিক ভয়াবহ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰিছে। একত্ৰিংশতম্ সংখ্যাত ২০০৮-০৯) দেশ এখনৰ সৰ্বতোমুখী বিকাশৰ বাবে মানৱ সম্পদৰ বাবে পূৰ্ণ বিকাশৰ ওপৰত গুৰুত্ব দিছে। দ্বিত্ৰিংশতম্ সংখ্যাৰ (২০০৯-২০১০) সম্পাদকীয় প্ৰসঙ্গত কেঁচা তেজেৰে যিসকল শ্বহীদে অসম মাতৃৰ চৰণ ধুৱালে, যিসকলে ঐকান্তিক প্ৰচেষ্টাৰে মাতৃভাষাৰ বুনিয়াদ গঢ়িলে, সেই সকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। ত্ৰিত্ৰিংশতিতম্ সংখ্যাৰ (২০১০-১১) সম্পাদকীয়ত পৰিবৰ্তিত পৰিৱেশ আৰু সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ পৰিবৰ্তনৰ এটি ইংগিত দিছে। চতুত্ৰিংশ সংখ্যাৰ (২০১১-১২) সম্পাদকীয়ত সময়ৰ গতিত ৰূপান্তৰ সম্পৰ্কে আলোচনা কৰিছে। পঞ্চত্ৰিংশ সংখ্যাত (২০১২-১৩) জৱাহৰজ্যোতিৰ অৱদান সম্পৰ্কত সহৃদয়েৰে আলোচনা কৰিছে।

**'জৱাহৰজ্যোতি'ৰ ভিতৰ চ'ৰা ঃ**

**একবিংশ সংখ্যাৰ পৰা পঞ্চত্ৰিংশ সংখ্যালৈ**

জৱাহৰজ্যোতিৰ একবিংশ সংখ্যাৰ পৰা পঞ্চত্ৰিংশ সংখ্যাৰ ভিতৰত প্ৰায় ২৮২ টা কবিতাই স্থান লাভ কৰিছে। সন্নিবিষ্ট উক্ত কবিতাসমূহৰ বেছিভাগেই উচ্চমানৰ নহ'ল যদিও যিসকল ছাত্ৰ-ছাত্ৰীৰ কবিতা চৰ্চাত থকা আন্তৰিকতা আৰু অনুশীলনৰ আভাস পৰিলক্ষিত হৈছে, সেইসকলৰ ভিতৰত দধীমোহন মেধি, বশিষ্ঠ দেৱশৰ্মা, দেৱজিৎ বৰা, ৰণ্টু দাস, ৰঞ্জিত কুমাৰ ৰাভা, অনুপম ৰয়, কাকলি বসুমতাৰী, অনিতা ৰাভা, ৰবীন চন্দ্ৰ ৰাভা, সীমান্ত ঠাকুৰীয়া, ৰবি নাথ, ৰুবুল ব্ৰহ্ম, তৃপ্তিময়ী তালুকদাৰ, নুৰ আমিন আহমেদ, কুলেন্দ্ৰ ৰায় চৌধুৰী, মানস প্ৰতীম শৰ্মা, ৰবিউল কবীৰ, শিবানী কুমাৰী, খলিল বড়ো, ভাৰত চৌধুৰী, দীপামণি দৈমাৰী, প্ৰাণকৃষ্ণ ৰয়, অনামিকা ৰাভা, মহানন্দ দাস, নৱদ্বীপ ৰাভা, পৰীস্মিতা দাস, মজিবুৰ ৰহমান, অনচুমা খংগুৰ খাখলাৰী, পাকিজা চৌধুৰী, সত্যব্ৰত কলিতা, জাহ্নৱী ৰাজবংশী আদি কেইজনমানৰ নাম বিশেষভাৱে ল'ব পাৰি। এওঁলোকৰ কবিতাত সামাজিক দায়বদ্ধতা পৰিলক্ষিত হৈছে। বহুকেইজন কবিৰ কবিতাত কল্পনাৰ আতিশয্যা থাকিলেও বাস্তৱৰ পৰা আঁতৰি যোৱা নাই। অৱশ্যে বহুতোৰ কবিতাৰ প্ৰকাশ ৰীতি পোনপটীয়া হৈছে। উপযুক্ত শব্দচয়ন, ধ্বনি, ব্যঞ্জনা আদিৰ অভাৱো পৰিলক্ষিত নোহোৱাকৈ থকা নাই। ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও উক্ত ১৪টা সংখ্যাত অধ্যাপক-অধ্যাপিকাৰ ফালৰ পৰা প্ৰায় ২০টা কবিতা সন্নিৱিষ্ট হৈছে। সেয়া হ'ল বসন্ত কুমাৰ দত্তৰ 'সেউজীয়া শব্দৰ এপাহি কপৌ, ক'ত তোমাৰ হেঙুলীয়া হাত, নেজানিলে তেওঁ সেই কথা, শ্মশান চ' মুখা, আঁচোৰ, অপৰাজেয়, দিলীপ কুমাৰ দাসৰ 'তেওঁ অনন্যা, এৰি গ'ল স্মৃতি যাউতিযুগীয়া, তেওঁ অনুপম, কেনেকৈ পাহৰিম তেওঁক ভৰিষ্যই'; প্ৰহ্লাদ ভড়ালীৰ 'মায়া' আৰু 'প্ৰেম', ধীৰেন্দ্ৰ কুমাৰ বৰ্মণৰ 'প্ৰতীক্ষা', নিৰঞ্জন মহন্তৰ - ড° ভূপেন হাজৰিকা সমীপেষু, অসমীৰে আকাশতে; পুলক তালুকদাৰৰ পাঠক নিৰ্বাচন, অভাৱ বিস্ফোৰণ, ৰাস্তা; নন্দা দেৱীৰ 'মা', যাত্ৰা, সৰা পাতৰ সিৰিক ইত্যাদি। অধ্যাপক-অধ্যাপিকাসকলৰ কবিতাই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

'জৱাহৰজ্যোতিৰ শেষৰ ১৪টা সংখ্যাত সৰ্ব্বমুঠ ৫৭টা চুটিগল্প প্ৰকাশ পাইছে। ইয়াৰে ১০ টা চুটি গল্প অধ্যাপক-অধ্যাপিকাসকলৰ। ছাত্ৰ-ছাত্ৰীসকলৰ চুটি গল্প সৃষ্টিত আন্তৰিকতা আছে; কিন্তু বেছিভাগ চুটিগল্পৰ মানদণ্ড উন্নত নহ'ল। ইয়াৰে ভিতৰত ভৱিষ্যত সম্ভাৱনীয় থকা গল্পকাৰ সকলৰ ভিতৰত দেৱজিৎ বৰা, কোকিল জ্যোতি দাস, পংকজ কলিতা, অনুপম ৰয়, সদানন্দ ৰাভা, কুলদীপ বায়ন, জয়ন্ত কুমাৰ খাখলাৰী, হাৰুশ ৰছিদ, জোনমণি ঠাকুৰীয়া, দীপামণি দৈমাৰী, খনিল বড়ো, জয়দেৱ বায়ন, সঞ্জয় মেধি, মৃদুস্মিতা ভট্টাচাৰ্য্য, দিব্যজ্যোতি কলিতা আদি উল্লেখযোগ্য। অধ্যাপক-অধ্যাপিকাসকলৰ ভিতৰত ড° কমলেশ্বৰ ঠাকুৰীয়াৰ 'প্ৰত্যাবৰ্তন', ড° ৰঞ্জিত বৈশ্যৰ 'অনুৰণন', ড° ললিত চন্দ্ৰ ৰাভাৰ 'বৰষুণ', 'এন্ধাৰৰ মালিতা', মঞ্জিৰা শৰ্মাৰ 'গল্প নহয় সঁচা', পুলক তালুকদাৰৰ 'খনন', 'গৱেষণা' ইত্যাদি গল্পই মুখপত্ৰখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

'জৱাহৰজ্যোতি'ত প্ৰৱন্ধ লেখকৰ সংখ্যা ক্ৰমাৎ বাঢ়ি গৈ আছে। আৰম্ভণিৰ পৰা কুৰিটা সংখ্যাৰ ভিতৰত চৌষষ্ঠিটা

প্ৰবন্ধ প্ৰকাশ হোৱাৰ বিপৰীতে একবিংশ সংখ্যাৰ পৰা পঞ্চত্ৰিংশ সংখ্যাৰ ভিতৰত ১৪২ (এশ বিয়াল্লিশ)টা প্ৰবন্ধ প্ৰকাশ হৈছে।

আৰম্ভণিৰ পৰা কুৰিটা সংখ্যাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলৰ চৌষষ্ঠিটা প্ৰৱন্ধ (অসমীয়া) প্ৰকাশ হোৱাৰ বিপৰীতে একবিংশ সংখ্যাৰ পৰা পঞ্চত্ৰিংশ সংখ্যাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলৰ ৮৫টা প্ৰবন্ধ প্ৰকাশ পাইছে। জৱাহৰ জ্যোতিৰ শেষৰ ১৪ টা সংখ্যাত অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক (প্ৰাক্তন) আদিৰ ফালৰ পৰা সৰ্বমুঠ ৫৭টা প্ৰৱন্ধ প্ৰকাশ পাইছে। প্ৰৱন্ধ ৰচনাত সম্ভাৱনা থকা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত লিপিকা ডেকা, পংকজ কলিতা, মুন কলিতা, বিভা ৰাভা, জিলি বৰুৱা, নয়নমণি ঠাকুৰীয়া, সঞ্জয় ৰাভা, বশিষ্ঠ দেৱশৰ্মা,অমল চন্দ্ৰ দাস, হীৰামণি দাস, মানস প্ৰতিম শৰ্মা, নিতুমণি তালুকদাৰ, জ্যোতিপ্ৰভা অধিকাৰী, দীপামণি দৈমাৰী, ৰাহুল দৈমাৰী, কৰুণা কলিতা, ধনমণি বড়ো, গৰিমা ৰাভা, অনুপম কলিতা, কুলেন্দু কলিতা, নৱ কুমাৰ কলিতা, কুশল কুমাৰ ৰাভা, মৃদুস্মিতা ভট্টাচাৰ্য, পুষ্পাঞ্জলি ৰাভা আদি। অধ্যাপক-অধ্যাপিকাসকলৰ ভিতৰত বসন্ত কুমাৰ দত্ত(অৱসৰ প্ৰাপ্ত)২টা , দ্বিজেন দাসে ৩টা, লক্ষীকান্ত শৰ্মাই ৩টা, যতীন চন্দ্ৰ নাথে (প্ৰাক্তন অধ্যক্ষ) এটা, বিনয়া দেবীয়ে ২টা, ড° কমলেশ্বৰ ঠাকুৰীয়াই ৭টা, বিজয়া ডেকাই ৭টা, ড° ললিত চন্দ্ৰ ৰাভাই ৬টা, মঞ্জিৰা শৰ্মাই ৩টা, ড° প্ৰাণেশ্বৰ নাথে ৩টা, দিগন্ত দাসে এটা, প্ৰহ্লাদ ভৰালীয়ে এটা, দীপাংকৰ শৰ্মাই ৩টা, দিপাঞ্জলী কলিতাই দুটা, ৰেখা ছেত্ৰীয়ে দুটা, ড° ৰবীন বৰ্মনে এটা আৰু ড° ক্ষীৰোদ ঠাকুৰীয়াই ৫টা প্ৰৱন্ধ লিখি জৱাহৰজ্যোতিৰ শেষৰ ১৪ টা সংখ্যাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

**'জৱাহৰজ্যোতি'ৰ প্ৰথম সংখ্যা (১৯৭০-৭১)-ৰ প্ৰথমটি কবিতাঃ**

"জৱাহৰজ্যোতি'ৰ প্ৰথম সংখ্যাৰ প্ৰথম কবিতাটি হ'ল- 'পথ'। কবিতাটি লিখিছে জন্মলগ্নৰ পৰা বৰ্তমানলৈ জড়িত জৱাহৰজ্যোতিৰ কাব্যকাননৰ পিতামহ স্বৰূপ অধ্যাপক বসন্ত কুমাৰ দত্ত।

"গভীৰ দুপৰ নিশা সমগ্ৰ পৃথিৱীখনেই তন্দ্ৰামগ্ন। কবিয়ে অন্তৰেৰে উপলব্ধি কৰিছে। মহাকাল স্বৰূপ সময়ৰ কথা-'সময়ে' সদায়েই সাৰে থাকে -সাৰে থাকে মহানগৰীৰ নৈশ বিলাসৰত মত্ত বনিকৰ দল। ইয়াৰ বিপৰীতে সেইসকল দৰিদ্ৰ জনগণ-যিসকলে পেটৰ দুৰ্নিবাৰ ক্ষুধাৰ জুই একুৰা লৈ কোনো দিনে সূৰ্যৰ পোহৰ নপৰা উৰুখা পঁজাত সাৰে থাকে।

"গভীৰ দুপৰ নিশা
সমগ্ৰ পৃথিৱী শুই পৰিছে
মাথোঁ সাৰে আছে নৈশ বিলাসৰত
বণিকৰ দল-মহানগৰীত।
আৰু সাৰে আছে দৰিদ্ৰ জনতা
পেটৰ দুৰ্নিবাৰ ক্ষুধাৰ জুই একুৰা জ্বলাই লৈ
কোনো দিন পোহৰ নপৰা উৰুখা পঁজাত।
হয়তো পুৱঁতি নিশা অৱসন্ন দেখিব
আকাংক্ষা চিহ্নিত এটি উজ্বল পথৰ;
এই পথেৰে আহি গ'ল মাৰ্ক্স আৰু
গান্ধীৰ দল, মানুহৰ স্বীকৃতি বিচাৰি।
এই পথ সঁচা পথ
এই পথ দৰিদ্ৰৰ ঐৰাবৎ।

**'জৱাহৰজ্যোতি'ৰ 'কাব্য কানন'লৈ শ্ৰেষ্ঠ অৱদানঃ**

জৱাহৰজ্যোতিৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ প্ৰায় ৫৮৪ টা কবিতা প্ৰকাশ হৈছে। ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ কবিতা চৰ্চাৰ ক্ষেত্ৰত আন্তৰিকতা, স্বকীয় উপলব্ধিক ব্যঞ্জনাময় ভাষালৈ ৰূপান্তৰিত কৰিব পৰা দক্ষতা কম-বেছি পৰিমাণে প্ৰকাশ পাইছে। মন কৰিবলগীয়া কথা হ'ল আৰম্ভণিৰ পৰা বৰ্তমানলৈ প্ৰায় ৩০টা সংখ্যাত কবিতা লিখি এক অভিলেখ স্থাপন কৰা মাননীয় অধ্যাপক বসন্ত কুমাৰ দত্ত আমাৰ চিৰ পূজনীয়। সেয়ে ত্ৰিশটা সংখ্যাত প্ৰকাশ পোৱা তেখেতৰ কবিতাৰ এখন তালিকা তলত দিয়া হ'ল-

প্ৰথম সংখ্যা -'পথ', দ্বিতীয় সংখ্যা-'প্ৰত্যয়', তৃতীয় সংখ্যা-'স্বগত', চতুৰ্থ সংখ্যা-'তোমাৰ, মোৰ আৰু সিহঁতৰ', পঞ্চম সংখ্যা-'উপলব্ধ অস্তিত্ব', ষষ্ঠ সংখ্যা-'ফেঁহুজালি', সপ্তম সংখ্যা- 'নিষিদ্ধ গোলাপ', অষ্টম সংখ্যা- 'তোমাৰ শেষ গান', নৱম সংখ্যা-'কবি-শিল্পী ৰমেশৰ মৃত্যুত', দশম সংখ্যা-'টুকুৰা মায়াৰ ছাঁ', দ্বাদশ সংখ্যা-ধাৰাবাহিক', ত্ৰয়োদশ সংখ্যা 'তেজ ৰঙা বাট', চতুৰ্দশ সংখ্যা-'বৈৰী বিভৱ', পঞ্চদশ সংখ্যা-'অম্লান আলিঙ্গন', ষষ্ঠদশ সংখ্যা-'বিৱৰ্ণ বৃদ্ধৰ দৰে', সপ্তদশ সংখ্যা-'সাঁথৰ' , অষ্টাদশ সংখ্যা-'স্তব্দ য'ত উন্মুক্ত উশাহ', ঊনবিংশ সংখ্যা-'বিষন্ন সংলাপ', বিংশ সংখ্যা-'বিমুৰ্ত্ত তোমাৰ ছবি', একবিংশ সংখ্যা-'সেউজী শব্দৰ এপাহি কপৌ', দ্বাবিংশ সংখ্যা-'ক'ত তোমাৰ হেঙুলীয়া হাত', ত্ৰয়োবিংশ সংখ্যা- 'বৰফৰ হাত',

২৫ আৰু ২৬তম্ সংখ্যা-'জোনাকত এন্ধাৰ', ২৭তম্ সংখ্যা-'প্ৰেয়সী', ২৮তম্ সংখ্যা-'নেজানিলে তেওঁ সেই কথা', ২৯ তম্ সংখ্যা-'সূৰ্যমুখী ফুল, কাঁইট আৰু গোলাপ', ৩১তম্ সংখ্যা-'শ্মশান চু'মুখা', ৩২তম্ সংখ্যা-আঁচোৰ', ৩৪তম্ সংখ্যা-'অপৰাজেয়'।

**'জৰাহৰজ্যোতি'ৰ শ্ৰেষ্ঠ দহটা কবিতাৰ কিয়দাংশঃ**

(উক্ত শ্ৰেষ্ঠতা ছাত্ৰ-ছাত্ৰীৰ লেখনিৰ মাজৰ পৰা নিৰ্বাচন কৰা হৈছে)

১। কবিতা ঃ **কেঁচা তেজহে সৰে**
কবি ঃ নৰমোহন ৰয় সৰকাৰ

শীতৰ লঠঙা গছৰ আগেদি আৰু টপ্ টপ্‌কৈ নিয়ৰ নসৰে।
এতিয়া তাৰ আগেদি টপ্ টপ্‌কৈ কেঁচা তেজহে সৰে
শীতৰ নিহালিৰ উম কোনে কাঢ়ি নিলে
পথাৰৰ সোণালী শইচ গছকি?

---

আইৰ মোহত সাৰ পাই উঠেঃ মোৰ দেশৰ মাটিত প্ৰাণ পোৱা মানুহ।
আকৌ ইতিহাসৰ পুনৰাবৃত্তি ঘটে নেকি?
মানুহবোৰ অপেক্ষাৰত এতিয়া।

২। কবিতা ঃ **মই কবি ক্ৰান্ত কালৰ**
কবি ঃ বিৰিঞ্চি কুমাৰ ৰাভা

মই কবি ক্ৰান্তি কালৰ।
ক্ৰান্তি কালতে বৰ্তমান মোৰ অৱস্থান।
মানুহৰ তেজৰ কোঁহে কোঁহে মই প্ৰসাৰিত কৰি দিওঁ
ক্ৰান্তি কালৰ আসন্ন পৰিবেশ।

---

আকাশ, বতাহ, মাটি, গছ-লতা, ডাল-পাতত মই ক্ৰমশঃ
বিয়পাই দিওঁ ক্ৰান্তিকালৰ প্ৰাত্যহিক উৎস।।

৩। কবিতা ঃ **বুঢ়া**
কবি ঃ জ্ঞান শংকৰ খাখলাৰী

সোঁৱৰণী, মোক নকন্দুৱাবা
ল'ৰালিৰ সেই মিঠাকালবোৰ
আৰু আইৰ কোলাত বহি কৰা ভেমবোৰ
বাৰে বাৰে সোঁৱৰাই নিদিবা।

---

নক'বা সেই দেশ ভৰা শস্য মৎস্যৰ কথা
নজ্বলাবা পূৰ্বপুৰুষৰ তেজস্বীলোকৰ জীৱন জোঁটা।

---

মই আজি আলৰ বৃদ্ধ
সময় শৰত শৰবিদ্ধ।

৪। কবিতা ঃ **অনাবৃত ব'হাগ**
কবি ঃ ললিত চন্দ্ৰ ৰাভা

প্ৰতিজন মানুহেই এতিয়া সজাগ
শোষকৰ সঘন কষ্টকৰ কামোৰে
বুকুৰ কামিহাড় ডাল ডাল কৰাৰ পাছতো
মাটিৰ স্তৰে স্তৰে বিয়পি পৰিছে

---

প্ৰতিজন যুৱকৰ বুকুৱে বুকুৱে
বগাই আছে
ক্ৰান্তিকালৰ সৰিতা সাৰটি
অনাবৃত ব'হাগ
আৰু কোকিল কণ্ঠী কেতেকী।

৫। কবিতা ঃ **মানসিক বিকাৰগ্ৰস্ত ছোৱালীজনী**
কবি ঃ এম. আবিদুৰ ৰহমান

দিনৰ পোহৰত

---

এমুঠি অন্ন, এটুকুৰা কাপোৰৰ বাবে
হাহাকাৰ কৰি ফুৰা
অৰ্ধনগ্ন নিৰালম্ব গাভৰুজনীক
মই প্ৰায়ে লগ পাওঁ,

---

৫। কবিতা ঃ **পতিতা**
কবি ঃ আনন্দ ৰাণা

এটি অন্ধকাৰচ্ছন্ন কোঠাৰ মলিয়ন বিছনাত
দুৰাৰোগ্য ৰোগত আক্ৰান্ত অনাহাৰী এটি নাৰীদেহ
অচল মুদ্ৰাৰ দৰে আজি তাই পৰিত্যক্তা
ভয়ঙ্কৰ বীজাণুৰ দৰে অস্পৃশ্য;

---

শুনিও নুশুনা হ'ব যন্ত্ৰণাক্লিষ্ট তাইৰ সকাতৰ মাত
তেওঁলোকৰ বাবে তাই অস্পৃশ্য পতিতা।

৭। কবিতা ঃ **প্ৰহসন মোৰ অনন্ত আশাৰ**
কবি ঃ ৰণ্টু দাস

সিদিনা চ'তৰ শেষ লগ্নটোত গুৰুমকৈ কিবা ফুটছিল

যেন মথায়ে ৰোগশয্যা এৰি আনন্দতে ঢোলত চপৰিয়াইছিল

---

ভেকেটকৈ জুয়ে পোৰা গোন্ধ এটা নাকত আহি লাগিছিল
আয়ে কিজানি পিঠা অতাওঁতে কোনোখন দহিল

---

গুৰুহালে পিছ চোতালেদি গতি লৈছে।
হাতৰ দীঘলতিডাল গোহালিৰ চাললৈ দলিয়াই দিলোঁ
যাওক দে ————————।

৭। কবিতা ঃ এটা প্ৰেমৰ পদ্য
কবি ঃ দেৱজিৎ বৰা

তোমাৰ দুচকুত
শিমলু ফুলা চাবলৈ বিছাৰি ফুৰা
মোৰ এই ভাগৰুৱা চকুযোৰ সলোকাই থওঁ
শোকৰ জোলোঙাত

---

তুমি যেন আহিবা এদিন
দুচকুৰ পদুলিৰে
দুখত নিমজ্জিত মোৰ বুকুৰ ঘৰলৈ।।

৮। কবিতা ঃ আঘোণৰ আবেলি
কবি ঃ পৰীস্মিতা দাস

সোণবৰণীয়া ৰ'দজাক মূৰত লৈ
দুপৰীয়াটোৱে খেলি আছিল
পথাৰৰ দাৱনীজাকৰ স'তে
এতিয়া বেলি পশ্চিমত

---

'সোণমাই', সোণগুটি চপালিনে?
'ৰহদৈ, ন' খাবলৈ কেতিয়া মাতিবি?

---

এয়া আঘোণৰ আবেলি
কৃষকৰ হেঁপাহৰ আবেলি।

৯। কবিতা ঃ আঘোণৰ আবেলি
কবি ঃ মজিবুৰ ৰহমান

বেলিৰ হেঙুলীয়াই অপৰূপ মাজেৰে সজায়
আঘোণৰ আবেলিক

---

ঘৰমুৰা হয় পথাৰৰ লেৰেজান দাৱনী
সমৰিলে কাঁচি-কটাৰী

---

গৰুৰ জাক লৈ উভতি আহে গৰখীয়া
বাহলৈ উভতি অহা চৰাইৰ জাকে
আঘোণৰ আবেলিৰ আকাশত আঁকে
সৰগৰ বিতোপন ছবি

---

১০। কবিতা ঃ বিষাদ
কবি ঃ জবা ঠাকুৰীয়া

মনৰ বনত এজাক ধুমুহা
নিষ্ঠুৰ আঘাতত চিৰাচিৰ
জীৱনৰ মধুৰ সপোন
সময়ৰ চাকনৈয়াত কঁপে
স্মৃতিৰ পাপৰি
————————।

'জৱাহৰজ্যোতি'ত সন্নিৱিষ্ট এমুঠি সেউজীয়া কবিতাৰ কিয়দাংশঃ

(ক) 'তোমালোকে কাণ থিয় কৰিলেই শুনিবা
পৰ্বতৰ বুকুৰেদি থিয়ৈ তললৈ পৰা
জলপ্ৰপাতৰ ক্ৰুদ্ধ গৰ্জনৰ দৰে
উত্তৰৰ কোবাল বতাহৰ হোঁ -হোঁৱনি

---

আমাৰ তেজৰ সাৰুৱা পলসে ধোৱে
এই পথাৰৰ জীপাল মাটি-চিৰ সেউজীয়া

---

('মোৰ দেশ ঃমোৰ মানুহৰ বাবে'-অধ্যাপক খগেশ সেন ডেকা)

(খ) 'কত দিন পাৰ হৈ গ'ল
আজিও বৈ আছে
সোণালী ৰূপালী মাছেৰে ভৰা
একেই এখনি নদী

---

উপজি পুৱাতে উঠি
দুহাতেৰে ধৰিছিলা নাঙলৰ মুঠি
অনাহাৰ অনিদ্ৰাত হেৰুৱাই
প্ৰাণৰ ঐশ্বৰ্য

---

(ফেহুজালিঃ বসন্ত কুমাৰ দত্ত, মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ)

(গ) '————————————

শৈশৱৰ ধূলি-কোলা, সোণৰ চামুচ আৰু পুষ্টিহীনতা,
কৈশোৰৰ মধুৰ সপোন আৰু সন্তীয়া দায়িত্ব,
যৌৱনৰ প্ৰেম আৰু জীৱনৰ যন্ত্ৰণা,
আওমৰণ, হাহাকাৰ, উত্তপ্ত চকুলো নিশ্বাস?
কাৰ বাবে অত শ্ৰম
হাড় ভাঙি গঢ়িছোঁ অজন্তা,
ইলোৰা, চাইপ্ৰাচ, বেবিলন একা?
কিহৰ আশাত ৰচিছিলোঁ মহাকাব্য,
————————————

('গতি- কামিনী মোহন শৰ্মা, মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ)

(ঘ) '————————————

শাওনৰ ৰ'দে ধোৱা পলসুৱা মাটিত
আপোন মনে ভূঁই ৰোৱা ৰোৱনীৰ জাক
সোণ হালধীয়া ৰ'দজাক পিঠিত পেলাই লৈ
ধান গছত বেপ দিয়া দাৱনীৰ জাক
————————————

এই দেশৰ সেমেকা মাটিৰ প্ৰতিজন অধিবাসীৰ প্ৰতি থকা
আন্তিৰিক স্নেহ আৰু সুগভীৰ ভালপোৱাই
মোক দিছে শক্তি, প্ৰেৰণা।
————————————।'

(বন্দীশালৰ চিঠি- খগেশ সেন ডেকা, অধ্যাপক, অসমীয়া বিভাগ।)

(ঙ) চোলাটো যিমানে পুৰণি হৈছে
সিমানে বাঢ়িছে মোহ
কেতিয়াবা কেনেবাকে ফাটি যায় বুলি
মোৰ যে কি ভয়!
সেয়ে
আলফুলে পিন্ধে
আলফুলে খোলোঁ
তুমিতো দেখিয়ে আছা
চোলাটো লোৱাৰে পৰা।

(প্ৰতীক ধৰ্মী কবিতা ঃ 'মোৰ চোলাটো'- অধ্যাপক দিলীপ দাস, ইংৰাজী বিভাগ)

**'জৱাহৰজ্যোতি'ৰ তত্বাবধায়ক আৰু শ্ৰেষ্ঠ তত্বাৱধায়ক প্ৰসঙ্গতঃ**

'জৱাহৰজ্যোতি'ৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ বহুকেইজন সন্মানীয় তত্বাৱধায়কে তত্বাৱধান কৰি মুখপত্ৰখনৰ গতি অব্যাহত ৰাখিছে। প্ৰসঙ্গতে উল্লেখ কৰিব লাগিব যে মুখপত্ৰখনৰ প্ৰথম সংখ্যাটি সম্পাদনা সমিতিয়ে তত্বাৱধান কৰিছে। উক্ত সংখ্যাটিৰ সন্মানীয় সদস্যকেইজন আছিল-যতীন চন্দ্ৰ নাথ (সভাপতি), অধ্যাপক বসন্ত কুমাৰ দত্ত, অধ্যাপক ° শৰৎ চন্দ্ৰ তালুকদাৰ, অধ্যাপক ° কামিনী মোহন শৰ্মা, অধ্যাপক মদন চন্দ্ৰ কাকতি। মুখ্য সম্পাদক জ্ঞানশংকৰ খাখলাৰী আৰু সহঃ সম্পাদক আছিল অমূল্য ৰায়। প্ৰথম সংখ্যাটিৰ পাছৰ তত্বাৱধায়কসকল হ'ল - মৃগেন চন্দ্ৰ শৰ্মা (ইংৰাজী বিভাগ), দিলীপ দাস (ইংৰাজী বিভাগ), ধৰ্মকান্ত বৰুৱা (অসমীয়া বিভাগ), বসন্ত কুমাৰ দত্ত (অসমীয়া বিভাগ), লক্ষ্মীকান্ত শৰ্মা (বুৰঞ্জী বিভাগ), ড° কমলেশ্বৰ ঠাকুৰীয়া (অসমীয়া বিভাগ), দ্বিজেন দাস (ইতিহাস বিভাগ), বিজয়া ডেকা (শিক্ষা বিভাগ), যুগল কিশোৰ নাথ (ভূগোল বিভাগ), ড° ললিত চন্দ্ৰ ৰাভা (অসমীয়া বিভাগ), উমেশ চন্দ্ৰ কৰ (ইংৰাজী বিভাগ), ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া (অসমীয়া বিভাগ), পুলক তালুকদাৰ (ইংৰাজী বিভাগ), ড° জ্যোতি প্ৰসাদ শৰ্মা বৰুৱা (ৰসায়ন বিভাগ), যুগল কিশোৰ নাথ (ভূগোল বিভাগ), মঞ্জিৰা শৰ্মা (অসমীয়া বিভাগ), ড° দীপাংকৰ শৰ্মা (গণিত বিভাগ), ড° প্ৰাণেশ্বৰ নাথ (ৰাজনীতি বিজ্ঞান বিভাগ) আৰু যতীন চন্দ্ৰ মেধি (অসমীয়া বিভাগ)। এই কথাও উল্লেখ কৰিব লাগিব যে উক্ত তত্বাবধায়কসকলৰ কেইজনমানে দুই-তিনিটা সংখ্যাত তত্বাৱধায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

'জৱাহৰ-জ্যোতি'ৰ প্ৰায় সাতটা সংখ্যাত (পঞ্চম সংখ্যা-১৯৮০, ৬ষ্ঠ সংখ্য ১৯৮১-৮২, সপ্তম সংখ্যা ১৯৮৩-৮৪, নৱম সংখ্যা ১৯৮৬-৮৭, দশম সংখ্যা ১৯৮৭-৮৮, পঞ্চদশ সংখ্যা ১৯৯২-৯৩, অষ্টাদশ সংখ্যা ১৯৯৫-৯৬) তত্বাবধায়কৰ দায়িত্ব লোৱা, ছাত্ৰ-ছাত্ৰীক হাতে-কলমে সাহিত্য চৰ্চা কৰিবলৈ উদ্‌গনি জনোৱা, ছাত্ৰ-ছাত্ৰীৰ অকবিতাক কবিতা, অপ্ৰবন্ধক প্ৰবন্ধ, অগল্পক গল্প কৰা এইজনা তত্বাবধায়ক মাননীয় দিলীপ দাস নিঃসন্দেহে জৱাহৰজ্যোতিৰ শ্ৰেষ্ঠ তত্বাবধায়কৰ আসন পাব। তেখেতৰ তত্বাবধানত দৃষ্টি কৰিলে তেখেতৰ পুৰঠ আৰু যুক্তিপূৰ্ণ লিখনিবোৰ অজানিতভাবে মনলৈ আহে।

**'জৱাহৰ-জ্যোতি'ৰ বেটুপাত আৰু শ্ৰেষ্ঠ বেটুপাতঃ**

'জৱাহৰ-জ্যোতি'ৰ পয়ত্ৰিশটা সংখ্যাৰ বেটুপাত শিল্পী সকল হ'ল- অজিত কুমাৰ ৰাভা (প্ৰথম সংখ্যা), দ্বিতীয় সংখ্যাটি আছিল প্ৰবীন কুমাৰ চৌধুৰী সোঁৱৰণী সংখ্যা-সেয়ে সংখ্যাটিৰ বেটুপাতত প্ৰবীন কুমাৰ চৌধুৰীৰ ফটো সন্নিবিষ্ট কৰা দেখা হৈছে, চিত্ৰমোহন কলিতা-তৃতীয় সংখ্যা, (চতুৰ্থ সংখ্যাত প্ৰথম সংখ্যাটিৰ বেটুপাতটিকে সন্নিবিষ্ট কৰা দেখা গৈছে), অৰুণ কলিতা - পঞ্চম সংখ্যা, কমলেশ্বৰ ঠাকুৰীয়া-ষষ্ঠ সংখ্যা, শশীন বড়ো- সপ্তম সংখ্যা, শশীন বড়ো- অষ্টম সংখ্যা, তত্বাবধায়ক/ সম্পাদক-নৱম সংখ্যা, কমলেশ্বৰ ঠাকুৰীয়া-দশম সংখ্যা, কমলেশ্বৰ ঠাকুৰীয়া-একাদশ সংখ্যা, কমলেশ্বৰ ঠাকুৰীয়া- দ্বাদশ সংখ্যা, প্ৰাণেশ্বৰ নাথ -ত্ৰয়োদশ সংখ্যা, কমলেশ্বৰ ঠাকুৰীয়া- চতুৰ্দশ সংখ্যা, তত্বাধায়ক/সম্পাদক- পঞ্চদশ সংখ্যা, তত্বাবধায়ক/ সম্পাদক- ষোড়শ সংখ্যা, মিৰাজ খান-সপ্তদশ সংখ্যা, তত্বাবাধায়ক/সম্পাদক-অষ্টাদশ সংখ্যা, সত্যজিৎ ৰায়- ঊনবিংশ সংখ্যা, তত্বাৱধায়ক/সম্পাদক- বিংশ সংখ্যা, দেৱজিৎ বৰা- একবিংশ সংখ্যা, ডেনিয়েল মাৰাক- দ্বাবিংশ সংখ্যা, ডেনিয়েল মাৰাক-ত্ৰয়োবিংশ, তত্বাৱধায়ক/সম্পাদক আৰু ডেনিয়েল মাৰাক- চতুবিংশতিতম সংখ্যা, প্ৰীতিলতা কাকতি- ২৫ আৰু ২৬ তম্ সংখ্যা,- ২৭তম্ সংখ্যা, ডেনিয়েল মাৰাক- ২৮ তম্ সংখ্যা, চিত্ৰশিল্পী- দাদুল চলিহা-২৯ তম্ সংখ্যা, ৰিংকু ৰাভা-৩১ তম্ সংখ্যা, বিপুল ৰাভা - ৩২ তম্ সংখ্যা, পুলক ৰাভা-৩৩ তম্ সংখ্যা, গোলক দাস-৩৪ তম্ সংখ্যা আৰু লোহিত ৰাজবংশী-৩৫ তম্ সংখ্যা।

জৱাহৰ-জ্যোতিৰ পাঁচটা সংখ্যাত ১৯৮৯-৮২, ১৯৮৭-৮৮, ১৯৮৮-৮৯, ১৯৮৯-৯০, ১৯৯১-৯২) মানদণ্ড সম্পন্ন বেটুপাতৰ ছবি আঁকি মুখপত্ৰখনলৈ বৰঙণি আগবঢ়োৱা ড° কমলেশ্বৰ ঠাকুৰীয়া (অধ্যাপক, অসমীয়া বিভাগ) আমাৰ দৃষ্টিত শ্ৰেষ্ঠ বেটুপাত শিল্পী হিচাপে বিবেচিত হৈছে। তেখেতক উক্ত শ্ৰেষ্ঠতা দিয়া হৈছে একাদশ সংখ্যাত (১৯৮৮-৮৯) প্ৰকাশিত বেটুপাতটিৰ বাবে। উল্লেখনীয় যে উক্ত বছৰতে মহাবিদ্যালখনে সম্পূৰ্ণ ২৫টি বছৰ অতিক্ৰম কৰিছে। মহাবিদ্যালয় এখনৰ প্ৰাৰম্ভিক একুৰি পাঁচ বছৰ সুদীৰ্ঘ আৰু গুৰুত্বপূৰ্ণ এটা অধ্যায়ৰ অন্তত এখন্তেক থমকি ৰৈ অতীতলৈ উভতি চোৱা, অতীতে এৰি যোৱা ভেঁটিত থিয় হৈ সময়ৰ সাম্প্ৰতিক দাপোণত নিজৰ স্বৰূপটো নকৈ পৰীক্ষা কৰি চোৱা ইত্যাদি প্ৰয়াস জড়িত হৈ থাকে। একাদশ সংখ্যাৰ বেটুপাতত সন্নিৱিষ্ট অকলশৰীয়া চৰাইটিয়ে খন্তেক থমকি ৰৈ, পাছলৈ মুখ কৰি চোৱা চিত্ৰৰ যোগেদি মহাবিদ্যালয়খনে অতিক্ৰম কৰা সুদীৰ্ঘ সময়ৰ ইংগিত দিছে। উক্ত বেটুপাতত দুটা পূৰ্ণ প্ৰস্ফুটিত গোলাপ ফুলৰ চিত্ৰ অংকিত হৈছে। এই ফুলদুটিত প্ৰৱল আশাবাদ, মহাবিদ্যালয়খনৰ পূৰ্ণাঙ্গতাৰ লগতে পণ্ডিত জৱাহৰলাল নেহৰুৰ স্মৃতিৰ লগত জড়িত এটি বিশেষ কথাৰ ইংগিত বহন কৰিছে।

বেটুপাতখনত দুটি চূড়া দিয়া হৈছে। ইয়াৰে এটি চূড়াৰ মাজৰ অংশত সামান্য ৰঙা আঁক এডাল দিয়া পৰিলক্ষিত হৈছে। উক্ত চূড়া দুটিয়ে মহাবিদ্যালয়খনৰ ক'লা আৰু বিজ্ঞান শাখাৰ শক্তিশালী স্থিতিৰ ইংগিত বহন কৰিছে। সবাতোকৈ ওখ কৰি দিয়া শ্বহীদ বেদীটোৱে দেশ মাতৃৰ ৰক্ষাৰ্থে আত্ম দান দিয়া বীৰ শ্বহীদসকলৰ প্ৰতি মহাবিদ্যালয়ৰ পৰিয়ালৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ পাইছে।

**অংগ সজ্জা, কলেবৰ আৰু মুদ্ৰণ প্ৰসঙ্গত ঃ**

'অংগসজ্জা'ত চতুস্ত্ৰিংশ সংখ্যাটো বিশেষভাৱে গুৰুত্ব পাইছে। উক্ত সংখ্যাটিৰ অংগসজ্জাৰ কাম কৰা ড° প্ৰাণেশ্বৰ নাথক এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কলেবৰত শ্ৰেষ্ঠ সংখ্যা হিচাপেও ড° প্ৰাণেশ্বৰ নাথৰ তত্বাৱধানত আৰু অমৰজ্যোতি স্বৰ্গীয়াৰীৰ সম্পাদনাত প্ৰকাশ পোৱা উক্ত সংখ্যাটিয়ে বিবেচিত হৈছে।

বিভিন্ন প্ৰেছত মুখপত্ৰখনে ছপা ৰূপ লাভ কৰিছে। প্ৰেছ সমূহ হ'ল -শ্ৰীকৃষ্ণ প্ৰিণ্টাৰ্ছ -বকো, জনতা প্ৰেছ-মিৰ্জা, লক্ষী প্ৰিণ্টিং প্ৰেছ-গুৱাহাটী, পূৰ্ব্বাঞ্চল প্ৰেছ-বিজয়নগৰ, কামৰূপ মুদ্ৰণ-গুৱাহাটী, নেচনেল টেকনো প্ৰিণ্টাৰ্ছ- কুকুৰমাৰা, ইমপ্ৰিণ্ট- মঙ্গলদৈ, মনালিছা অফ্ছেট-বকো, অলিভিয়া অফ্ছেট-বকো, চণ্ডিকা অফ্ছেট প্ৰেছ-ছয়গাঁও, লেজাৰ ক্ৰিয়েচনচ্ প্ৰেছ- গুৱাহাটী ইয়াৰে ভিতৰত মিৰ্জা জনতা প্ৰেছৰ পৰা সৰ্ব্বাধিক ১২ টা সংখ্যা প্ৰকাশ পাইছে।

**'জৱাহৰ-জ্যোতি'ৰ প্ৰথমজন সম্পাদকৰ মনৰ কথাৰ কিয়দাংশঃ**

"বতৰ উকলিল । ফলৰ সোৱাদ নাইকিয়া হ'ল। বতৰৰ ফল দিব নোৱাৰাৰ বাবে দুখিত। মই ভাবো এইখিনি দোষৰ পৰা খুব কম সংখ্যক কলেজ আলোচনীৰ সম্পাদকেহে ৰেহাই পায়।

আলোচনীখনৰ সম্পাদকৰ পদত নিযুক্ত কৰাৰ লগে লগে মনটো চিৰিং কৰি উঠিছিল আৰু বুকু কলধপ্ কলধপ্ কৰিছিল। বৰ দায়িত্বৰ কাম। তাতে আলোচনীখন প্ৰথম বছৰৰ প্ৰথম সংখ্যা। মনলৈ আহিছিল বহুদিন আগতে আলোচনী

এখনৰ সম্পাদকে লিখা কথা 'গ্ৰন্থ এখন সুন্দৰ ভাৱে সম্পাদনা কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যত সততে সন্মুখীন হোৱা অসুবিধাসমূহ হ'ল লিখকসকলে একেবাৰে মূৰামূৰি সময়ত প্ৰৱন্ধবোৰ-দিবলৈ বিচাৰে আৰু পৰিণামত সম্পাদকৰ কাৰ্য সম্ভৱ হৈ নুঠে।' ——————-আৰু ভবিছিলোঁ বহুতো নতুন শিতান কৰিম বুলি যেনে- প্ৰশ্নোত্তৰ, সম্পাদকলৈ চিঠি-পত্ৰ, কোনো মহৎ লোকৰ লগত সাক্ষাৎকাৰ ইত্যাদি।—————— ——চিৰ চেনেহী ভাষা জননীৰ বেদী পোহৰ কৰক এই 'জৱাহৰ-জ্যোতি'য়ে। জৱাহৰলাল নেহৰু কলেজ গৌৰৱেৰে উপচি পৰক। জৱাহৰ-জ্যোতি দীৰ্ঘায়ু হ'ক। কামনা মোৰ সদায় আছে আৰু থাকিব।

প্ৰীতিৰে-

| | |
|---|---|
| জৱাহৰলাল নেহৰু কলেজ | শ্ৰীজ্ঞান শংকৰ খাখ্লাৰী |
| ছাত্ৰাবাস, বকো | সম্পাদক |
| ১৮/১০/৭১ ইং | জৱাহৰজ্যোতি |

পদ্মশ্ৰী নলিনী বালা দেৱীয়ে 'জৱাহৰজ্যোতি'লৈ আশীৰ্বাদ সৰ্ব্বন্তঃকৰণে দিয়া-

"বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত 'জৱাহৰজ্যোতি' পত্ৰিকাখনিৰ উওৰোত্তৰ উন্নতি আশাৰে সৰ্ব্বান্তঃকৰণে আন্তৰিক শুভইচ্ছা জনালোঁ। 'জৱাহৰলালজ্যোতি' চিন্তাশীল সাহিত্য-সম্পদেৰে অলংকৃত হৈ সাহিত্যৰ গৌৰৱ বৃদ্ধি কৰক। জৱাহৰজ্যোতিৰ প্ৰকাশৰ উদ্যোগীসকললৈ আন্তৰিক শলাগৰে আশীৰ্ব্বাদ জনালোঁ। ইতি-

নলিনী বালা দেৱী

'জৱাহৰজ্যোতি'লৈ ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ কাৰ্যালয়ৰ পৰা দিয়া শুভেচ্ছা পত্ৰ ঃ

**PRIME MINISTER'S SECRETARIAT, NEW DELHI-4**
**JANUARY 7, 1971**

**MESSAGE**

Dear Sir,

The Prime Minister thanks you for your letter. She sends her good wishes to the students of J.N. College, Boko.

Your faithfully,
H.Y. Sharada Prasad

'জৱাহৰজ্যোতি' ৰ গীতঃ

জৱাহৰজ্যোতিত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অধ্যাপকসকলেও গীত লিখিছে। এই সকলৰ ভিতৰত সংগীত সাধনাৰ লগত বিশেষভাৱে জড়িত গীতিকাৰসকল হ'ল নগেন কলিতা, ভাৰত চৌধুৰী, ধীৰেণজিৎ কলিতা, দীপিকা কলিতা, ড° প্ৰাণেশ্বৰ নাথ, মৰমী কলিতা, দিলীপ কুমাৰ দাস, নৱ কুমাৰ কলিতা ইত্যাদি। মুখপত্ৰখনত বিশেষ স্থান পোৱা কেইটিমান গীত হ'লঃ 'পদূলি মুখৰ বকুল গছত এটি পখিলা পৰেহি পাতত', 'চকুলোঁ টুকিছো মই নিমাতে নিৰলে'; 'নিশাৰ শেৱালি সৰে কথা এটি জীৱনৰ সোঁৱৰণি অতীতৰ', 'ন-পুৰণি মিলিত কণ্ঠে আমি -গাই যাওঁ নতুনৰ গান', 'মোৰ মন আজি কিয়-ভাল লগা নাই', 'মোৰ হৃদয়ে তোমাকে বিচাৰে', 'কিমান সময় তোমালৈ বুলি আছোঁ বাট চাই', 'এটি নিজম কোঠাত গভীৰ জোনাক ৰাতি', 'মই ৰৈ আছো মনৰ দুৱাৰ খুলি', এনে এটি দিনৰ মধুৰ ক্ষণে', 'মোৰ সপোনৰ সূৰ্য মানুহ তুমি', 'আকৌ আহিবানে তুমি-দুবৰিত নিয়ৰৰ মুকুতা চাবানে জুমি', 'দাপোণত চোৱা তোমাৰ মুখখন', 'স্বাগতম, স্বাগতম——', 'হে নতুন নতুন - তোমাক স্বাগতম্'।

এসময়ত বৃহত্তৰ বকো অঞ্চলৰ গাঁৱে-ভূঁয়ে বিশেষ জনপ্ৰিয়তা লাভ কৰা নগেন কলিতাৰ এটি সমবেত গীতৰ কিয়দাংশ উদ্ধৃত কৰা হ'ল ঃ

'ন-পুৰণি মিলিত কণ্ঠে আমি
গাই যাঁও নতুনৰ গান।
একতাৰ দোলেৰে দেশ গঢ়িবলৈ'
কৰিম আমি অভিমান।।
মাতৃভূমিৰ হকে জীৱন কৰিম দান-
দেশ ৰাখিবলে' হ'ম আগুৱাম।
নতুন উলাহেৰে নতুন পোহৰেৰে
আই অসমীক উজলাম।
লাচিতৰ দৰে আমি হেংদাং ল'ম-
চিত্ৰলেখাৰ দৰে বাট দেখুৱাম—।"

জৱাহৰজ্যোতিৰ 'অন্তৰংগ আলাপ'

জৱাহৰজ্যোতিৰ পয়ত্ৰিশটি সংখ্যাত পম খেদি আমাৰ চকুত পৰিছিল 'অন্তৰংগ আলাপ' শিতানটিলৈ। উক্ত অন্তৰংগ শিতানত আমি নিৰ্বাচন কৰিছিলোঁ ড° প্ৰাণেশ্বৰ নাথৰ তত্বাৱধানত আৰু অমৰজ্যোতি স্বৰ্গীয়াৰীৰ সম্পাদনাত প্ৰকাশ পোৱা সংখ্যাটি -য'ত তত্বাৱধায়ক-সম্পাদকে অশেষ কষ্ট কৰি

পোৱা বৰুৱাৰ অন্তৰংগ আলাপ' শিতানটি।

কোকিলকণ্ঠী গায়িকা দীপালী বৰঠাকুৰ জীৱনৰ কোনো কোনো দুখ যন্ত্ৰণা আৰু হতাশাই কাঢ়ি নিব পৰা নাই যাৰ অকৃত্ৰিম হাঁহি ---। প্ৰয়াত প্ৰেম আৰু গভীৰ বিশ্বাসেৰে তেখেতক আঁকোৱালি লোৱা প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱা -যাৰ হাতৰ পৰশত ৰং-তুলিকাৰে প্ৰাণ পায় নানান শিল্পকৰ্মই -যিয়ে বয়সক আওকাণ কৰি দূৰন্ত তৰুণৰ দৰে আগবাঢ়ি যাব বিচাৰে।

সেই বৰেণ্য শিল্পী দুগৰাকীৰ জীৱন-দৰ্শন উঠি অহা প্ৰজন্মৰ বাবে পাথেয় হওঁক-তাৰেই কামনাৰে- উক্ত নিৰ্বাচিত অন্তৰংগ সংলাপৰ কিয়দাংশ তুলি দিয়া হ'ল-

**আমাৰ প্ৰশ্ন** : আপুনি কেতিয়াৰ পৰা সংগীত এৰিছে আৰু কিয় ?

**দিপালী বৰঠাকুৰ** : ১৯৬৮ চনৰ পৰা মোৰ অসুখ আৰু তেতিয়াৰ পৰাই মই সংগীত এৰিছোঁ।

**আমাৰ প্ৰশ্ন** : নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আপোনাৰ মন্তব্য ?

**দিপালী বৰঠাকুৰ** : শংকৰ-মাধৱদেৱৰ আদৰ্শেৰে ছাত্ৰ-ছাত্ৰী সকল অনুপ্ৰাণিত হ'ব লাগিব। বৰগীত চৰ্চাৰ ওপৰত গুৰুত্ব দিব লাগে। সমাজখন আধ্যাত্মিক ভাৱত গতি কৰাত সহায়ক হয়। আন আন গীতো আহৰণ কৰিব লাগিব।

**আমাৰ প্ৰশ্ন** : আপুনি কেতিয়াৰ পৰা শিল্প সাধনা কৰিছে?

**নীলপৱন বৰুৱা** : শান্তি নিকেতনত পঢ়িছিলোঁ; বিশ্বভাৰতী University ত। ১৯৬১ চনৰ পৰাই ছবি আঁকা কাম কৰি আহিছোঁ। বিশিষ্ট শিল্পী নন্দলাল বসু, বিনোদ বিহাৰী মুখাৰ্জীৰ সান্নিধ্য লাভ কৰিছোঁ। নামী তথা দামী শিল্পী শ্ৰদ্ধেয় শোভা ব্ৰহ্ম আৰু বেণু মিশ্ৰৰ সৈতে কাম কৰি ধন্য হৈছোঁ।

**আমাৰ প্ৰশ্ন** : আপোনালোকে চৰকাৰী সাহায্য লাভ কৰিছেনে?

**নীলপৱন বৰুৱা** : চৰকাৰে আমাক পেঞ্চন দি আছে। মই পাওঁ প্ৰতি মাহে ২০০/- টকা আৰু দীপালীয়ে পায় ৫০০০/- টকা।

❁❁❁

## জৱাহৰ জ্যোতি

ভাৰত মাতৃৰ অমৰ সন্তানসকলৰ ভিতৰত স্বৰ্গীয় জৱাহৰলাল নেহৰুৰ দৰে এজন মহামানৱ পৃথিবীৰ বুৰঞ্জীতে পাবলৈ নাই। জৱাহৰলাল নেহৰু নিজেই যেন ভাৰতীয় সংস্কৃতিৰ, ভাৰতীয় মণীষাৰ এজন জীৱন্ত প্ৰতীক আছিল। নেহৰুৰ অনুপম গুণৰাশি ভাৰতবাসী তথা পৃথিবীৰ মানৱ সভ্যতাৰ কাৰণে চিৰস্মৰণীয় সম্পদ হৈ ৰ'ল---নেহৰুৰ ব্যক্তিত্বই প্ৰত্যেকজন ভাৰতবাসীক উদ্বুদ্ধ কৰাৰ কাৰণে চিন্তাশীল সকলক তেওঁ দি গ'ল ৰাজনীতি, সাহিত্য, স্বদেশপ্ৰেম, ত্যাগ আৰু কৰ্মৰ প্ৰেৰণা।

অমৃতৰ পুত্ৰ জৱহৰলালৰ জীৱন-স্মৃতিৰ জ্যোতিয়ে বকোৰ জৱাহৰলাল মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰসকলক অখণ্ড জ্যোতিৰ পোহৰ দিয়ক। ত্যাগ আৰু কৰ্মৰ প্ৰেৰণাৰে নতুন ভাৰত ৰচনাত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ প্ৰতিভাৰে অৰিহণা দিয়ক-এয়ে মোৰ কামনা।

'বকুলবন'
যোৰহাট
১০।১।৭১

শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা

'জৱাহৰজ্যোতি'ৰ প্ৰথম সংখ্যাত প্ৰকাশিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আনন্দ চন্দ্ৰ বৰুৱাৰ শুভাশিষ।

# ৰূপালী অতীত, সোণালী বৰ্তমান–অনাগত হীৰক

মঞ্জিৰা শৰ্মা
সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ

"জৱাহৰলাল নেহৰু মহাবিদ্যালয়"-এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়-৫০ বছৰে যাৰ বুকুত খোদিত হৈ আছে বহুতো জীয়া কাহিনী, মিঠা স্মৃতি। মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰে হিয়াৰ আমঠু, বকো অঞ্চলৰ ৰাইজৰ আশা ভৰসাৰ থল এই জৱাহৰলাল নেহৰু মহাবিদ্যালয়।

গুৱাহাটীৰ পৰা পশ্চিমে ৬৩ কিঃমিঃ দূৰত্বত ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথত বকো অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এই জৱাহৰলাল নেহৰু মহাবিদ্যালয়। বনজ সম্পদত চহকী এই অঞ্চলৰ প্ৰাকৃতিক দৃশ্য বৰ মনোৰম। নীলা আকাশৰ তলত দূৰ দিগন্তত বিলীন হৈ যোৱা সেউজীয়া পথাৰৰ মনোমোহা শোভাই পথিকক এবাৰলৈ হলেও ভাৰিবলৈ বাধ্য কৰোৱায়-"সচাঁকৈয়ে, প্ৰকৃতিয়ে অকৃপণ হাতে বকোক সৌন্দৰ্য্য দান কৰিছে।" এই সৌন্দৰ্য্যৰ আঁকৰ খনিতে তাহানিৰ বকো সমষ্টিৰ বিধায়ক প্ৰবীন চৌধুৰীৰ উদ্যোগত তথা কেইজনমান সচেতন ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত আৰু বকো ৰাইজৰ সহযোগিতাত ১৯৬৪ চনৰ ৩ আগষ্টত জন্ম লাভ কৰে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে-- চমুকৈ জে.এন. কলেজ। যি মহাবিদ্যালয়ে সমগ্ৰ বকো ৰাইজলৈ কঢ়িয়াই আনিলে অফুৰন্ত হাঁহি আৰু গভীৰ প্ৰশান্তি। নতুন পুৰুষলৈ কঢ়িয়াই আনিলে নৱ উদ্যম আৰু একাঁজলি জ্ঞানৰ পোহৰ।

নামকৰণৰ উদ্দেশ্য-- জৱাহৰলাল নেহৰুৰ পবিত্ৰ স্মৃতি ৰক্ষা কৰা আৰু তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰে নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰা। ৰাইজৰ সপোন দিঠকত পৰিণত হ'ল। মহাবিদ্যালয়ৰ ভৱন ক্ৰমাগত ভাৱে নিৰ্মাণ হ'বলৈ ধৰিলে। চতুৰ্থ বছৰৰ শেষত মহাবিদ্যালয়ৰ ছাত্ৰসকলে নতুন ভৱনত তেতিয়াৰ তিনিবছৰীয়া পাঠ্যক্ৰমৰ বি.এ. পৰীক্ষাৰ বাচনি পৰীক্ষা দিবলৈ সমৰ্থ হ'ল।

১৯৬৪ চনত এই মহাবিদ্যালয়ৰ শুভাৰম্ভ হৈছিল বকো হাইস্কুলত নৈশ মহাবিদ্যালয় হিচাবে। শ্ৰদ্ধেয় অচ্যুত কান্ত অধিকাৰীদেৱ ইয়াৰ প্ৰথম তত্ত্বাৱধায়ক অবৈতনিক অধ্যক্ষ আছিল। অধ্যাপক হিচাপে শ্ৰীযুত শৰৎ তালুকদাৰ (অৰ্থনীতি বিজ্ঞান), শ্ৰীযুত বসন্ত দত্ত (অসমীয়া), শ্ৰীযুত মদন চৌধুৰী (ৰাজনীতি বিজ্ঞান), শ্ৰীযুত শিৱকান্ত মল্লিক (ইংৰাজী) আৰু শ্ৰীযুত মহেন্দ্ৰ দাস (ইতিহাস)ক নিযুক্তি দিয়া হৈছিল। এখেত সকলেই প্ৰথম বছৰৰ শিক্ষাদান কাৰ্য্য সমাপ্ত কৰে। ইয়াৰ পিছত ০১-০৯-১৯৬৫ চনত শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱক অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয় আৰু অধ্যাপক হিচাপে শ্ৰীদিনেশ ডেকা (বুৰঞ্জী), ব্ৰুচেলিচ চাংমা (ইংৰাজী) শ্ৰীপ্ৰিয় দাস (ইংৰাজী) শ্ৰীধৰ্মকান্ত বৰুৱা (অসমীয়া), শ্ৰীমদন চন্দ্ৰ কাকতি (অসমীয়া), মঃ ৰইচুদ্দিন আহমেদ (ৰাজনীতি বিজ্ঞান), শ্ৰীদীনেশ শৰ্মা (ৰাজনীতি বিজ্ঞান) আৰু শ্ৰীদেবেন্দ্ৰ নাথ শৰ্মা (অৰ্থনীতি বিজ্ঞান)ক নিযুক্তি দিয়া হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভূক্তিকৰণ আৰু শিক্ষাৰ পাঠ্যক্ৰম ঃ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় হিচাপে প্ৰথম স্বীকৃতি লাভ কৰে ১৯৬৪ চনত আৰু সেই একে বছৰে Pre-University (প্ৰাক্ বিশ্ববিদ্যালয়) স্তৰত কলাশাখাত ১ম বৰ্ষৰ শ্ৰেণী সমূহ আৰম্ভ কৰাৰ অনুমোদন লাভ কৰে। ১৯৬৭ চনত মহাবিদ্যালয়ে স্নাতক পৰ্য্যায়ৰ কলা শাখাৰ বাবে অস্থায়ী অনুমোদন লাভ কৰে। তাৰ পিছত ১৯৬৯ চনৰ ১ চেপ্টেম্বৰত গুৱাহাটী বিশ্ব বিদ্যালয়ে জৱাহৰলাল নেহৰু মহাবিদ্যালয়লৈ স্থায়ী অনুমোদন আগবঢ়ায়।

আমি গৌৰৱান্বিত যে তাহানিৰ অসমৰ গৱৰ্ণৰে ১০০ বিঘা মাটি কলেজৰ বাবে দিয়াৰ পিছত ১৯৬৪ চনত তাহানিৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাদেৱে মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে আৰু প্ৰায় ৫৫,০০০/- টকাত ১৪০'x২০ ৰ এখন বাৰাণ্ডাৰে সৈতে (১৪০'x৭) এটা অসম

আৰ্হিৰ ঘৰ নিৰ্মাণ কৰা হয়।

ঘাটি মঞ্জুৰি লাভ কৰাৰ পিছত ঃ

মহাবিদ্যালয় কৰ্তৃপক্ষই কেইটিমান নতুন বিষয় মহাবিদ্যালয়ত শিক্ষাদানৰ বাবে আবেদন জনায়। ১৯৭৭ চনত স্নাতক পৰ্য্যায়ত অৰ্থনীতি বিজ্ঞান আৰু অসমীয়াত মেজৰ (সন্মান) খোলাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰে।

মহাবিদ্যালয় প্ৰতিষ্ঠাহোৱা দিনৰেপৰা বৰ্তমানলৈকে যিসকল গুণী-জ্ঞানী ব্যক্তিয়ে অধ্যক্ষৰ আসন শুৱনী কৰিবলৈ সক্ষম হৈছে তেখেতসকলৰ নামোল্লেখ অবিহনে আলোচনা আধৰুৱা হৈ ৰ'ব—

১) অচ্যুত কান্ত অধিকাৰী (সাময়িক ভাৰপ্ৰাপ্ত) ১-৮-৬৪ -৩১-৮-৬৫
২) যতীন্দ্ৰ চন্দ্ৰ নাথ ১-৯-৬৫ -৩১-৫-৯৫
৩) বসন্ত কুমাৰ দত্ত- (ভাৰপ্ৰাপ্ত) ১-৬-৯৮ -১৪-৭-৯৮
৪) ধৰ্ম কান্ত বৰুৱা (ভাৰপ্ৰাপ্ত) ১৫-৭-৯৮ -২৪-৮-৯৮
৫) ডঃ ৰমাকান্ত বৰুৱা ২৫-৮-৯৮ -৩১-১-৯৮
৬) দিলীপ কুমাৰ দাস(ভাৰপ্ৰাপ্ত) ১-২-০৬ -২৮-২-০৬
৭) লক্ষীকান্ত শৰ্মা (ভাৰপ্ৰাপ্ত) ১-৩-০৬ -২৫-৪-০৭
৮) ডঃ নৃপেন গোস্বামী ২৬-৪-০৭—

**শ্বহীদ প্ৰণামো তোমাক ঃ**

ছয় বছৰীয়া অসম আন্দোলনত আমাৰ মহাবিদ্যালয় জপিয়াই পৰিছিল। তাৰ ফলশ্ৰুতিত ১৯৮৩ চনৰ ১২ ফেব্ৰুৱাৰীৰ ৰাতিপুৱা যেতিয়া সন্দেহযুক্ত বাংলাদেশীয়ে পবিত্ৰ ছমৰীয়া সত্ৰ আক্ৰমণ কৰিছিল, তাৰ বিৰুদ্ধে থিয় দিবলৈ গৈ মহাবিদ্যালয়ৰ ছাত্ৰী গংগা কলিতাই অকাল মৃত্যুক সাৱটি লৈছিল। 'গংগা'ক বকো অঞ্চলৰ প্ৰথম শ্বহীদ ঘোষণা কৰা হৈছিল আৰু গংগাৰ দৰেই যি সকলে দেশৰ অৰ্থে, দহৰ অৰ্থে জীৱন যজ্ঞত প্ৰাণ আহুতি দিলে, তেওঁলোকৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ ছাত্ৰ সকলে নিজৰ ভিতৰতে ১৪০০০/- টকা সংগ্ৰহ কৰি এটি শ্বহীদ বেদী নিৰ্মাণ কৰিলে।

**মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ শুভাৰম্ভ ঃ**

মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ শুভাৰম্ভ হয় ১৯৮৬ চনত। ১৯৯৮ চনত বিজ্ঞান শাখাই চৰকাৰৰ ঘাটি মঞ্জুৰি লাভ কৰে।

**মহাবিদ্যালয়ৰ কেতবোৰ উল্লেখনীয় দিশ এনে ধৰণৰ ঃ**

১৯৭৬ চনত -NSS Unit প্ৰতিষ্ঠা

২০০০ চনত – ICGC প্ৰতিষ্ঠা

২০০৩ চনত-অমৃতপ্ৰভা ৰেঞ্জাৰ টিম প্ৰতিষ্ঠা

২০০৪ চনত – NAACঅৰ মূল্যায়ন C++ Grade লাভ

২০০৫ চনত — IQAC প্ৰতিষ্ঠা

২০০৮ চনত -কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কেন্দ্ৰ (Centre)

২০০৯ চনত -ASTEC অৰ অন্তৰ্গত আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ প্ৰতিষ্ঠা

২০১০ চনত -DBT ৰ অধীনত BIOTECH HUB প্ৰতিষ্ঠা।

২০১১ চনত -NETWORK RESOURCE CENTRE প্ৰতিষ্ঠা।

২০১২ চনত — GIS LAB আৰু AUTOMATIC WEATHER STATION প্ৰতিষ্ঠা।

২০১২ চনত — LANGUAGE LAB প্ৰতিষ্ঠা।

২০১৩ চনত — ইউ.জি.চিৰ অধীনত মণ্টেছৰী ট্ৰেইনিং আৰু MUSHRUM CULTIVATION-অৰ প্ৰশিক্ষণ কেন্দ্ৰ।

২০১৪ চনত -ভাৰত চৰকাৰৰ জীৱ প্ৰযুক্তি বিজ্ঞান বিভাগৰ তৰফৰ পৰা STAR COLLEGE আঁচনিৰ আৰ্থিক সাহায্য প্ৰাপ্তি। NAACঅৰ মূল্যায়ন B Grade লাভ

**আমাৰ (মহাবিদ্যালয়ৰ) লক্ষ্য ঃ**

১। উন্নত মানৰ শিক্ষাৰ বাবে এক সুস্থ শৈক্ষিক বাতাবৰণৰ (পৰিবেশৰ) সৃষ্টি কৰা।

২। ছাত্ৰসকলক 'প্ৰকৃত শিক্ষিত' তথা 'প্ৰকৃত মানুহ' কৰি গঢ়ি তোলা, যিয়ে কেৱল বৰ্তমানৰে নহয়, ভৱিষ্যতৰো সমাজৰ মানবীয় প্ৰমূল্যসমূহৰ বীজ সিঁচি সমাজক এটা সুস্থ দিশে পৰিচালিত কৰিবলৈ সমৰ্থ হয়। (বৰ্তমানৰ সমাজত মানবীয় প্ৰমূল্যৰ অৱক্ষয়ে সমাজক বিপথে পৰিচালিত কৰিছে।)

৩। শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত কৃতকাৰ্যতাৰ পথ সুগম কৰিবলৈ প্ৰয়োজনীয় পৰিৱেশ তথা আহিলা পাতিৰ যোগান ধৰা।

৪। এই বিশেষ অঞ্চলৰ বৈচিত্ৰৰে ভৰা চহকী সাহিত্য, সংস্কৃতি আৰু ঐতিহ্য পৰম্পৰাক একত্ৰিত কৰি

ঐক্যবদ্ধভাৱে সংৰক্ষণ কৰা।

৫। শিক্ষাৰ লগতে সমান্তৰালভাৱে আন আনুষঙ্গিক বিষয় যেনে— নৃত্য, গীত, খেলা, ধূলা, অভিনয়, সাহিত্য চৰ্চা, শৰীৰ চৰ্চা আদিৰো প্ৰশিক্ষণ দিয়া আৰু মাজে সময়ে উক্ত বিষয়ৰ ওপৰত কৰ্মশালা আদিৰ আয়োজন কৰা।

**STATUTORY BODY** (বিধি সন্মত কমিটি যিয়ে আমাক পৰিচালিত কৰে—)

১। গভৰ্নিং বডি (GOVERNING BODY)

২। IQAC

৩। ACADEMIC CELL

অ-বিধি সন্মত কমিটি ঃ

- ADMISSION COMMITTEE
- EXAMINATION COMMITTEE
- PURCHASE COMMITTEE
- CONSTRUCTION COMMITTEE
- RTI CELL.
- ELECTION COMMITTEE
- GRIEVANCE REDRESSAL CELL.
- TEACHER'S UNIT
- EMPLOYEES UNION
- STUDENTS UNION.

মহাবিদ্যালয়ত পাঠদান কৰা বিষয়সমূহ ঃ

বিজ্ঞান শাখাত ঃ উদ্ভিদ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান

কলা শাখাত ঃ অসমীয়া, নৃ-তত্ব, বড়ো, অৰ্থনীতি বিজ্ঞান, শিক্ষা, ইংৰাজী, ভূগোল, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান

অন্যান্য বিষয়সমূহ (নিয়োগ মুখী পাঠক্ৰম) ঃ কাঠফুলা খেতি আৰু উপযোগিতা (Mushroom Cultivation and Utilization), Montessori Methods.

**Self-Financing Courses** (স্ববিত্ত বিনিয়োগ পাঠ্যক্ৰম) ঃ Computer basicsDTP,Tally,C-Programming, Computer Net Working,PGDCA (পৰবৰ্তী Session অৰ পৰা আৰম্ভ হ'ব)

মুক্তক বিশ্ববিদ্যালয়ৰ অধীনত

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় শিক্ষাকেন্দ্ৰ

- B.P.P.
- B.A.
- M.A. (অসমীয়া আৰু শিক্ষা)

D.EL. Ed. (Diploma in Elemantary Education)

আমাৰ পৰিয়াল

- মুঠ মঞ্জুৰিকৃত পদ — ৪৮

পুৰুষ- ২৯, মহিলা- ১৫, খালী হৈ থকা পদ- ০৪

- মুঠ অংশকালিন পদ— ১৪

পুৰুষ— ৭, মহিলা— ৭

- অনা শিক্ষক (কৰ্মচাৰী)

মুঠ মঞ্জুৰিকৃত পদ— ৩১

পুৰুষ— ২৭, মহিলা— ৪

স্থায়ী— ১৪, Contractual - ১৩

ছাত্ৰ-ছাত্ৰী

মুঠ সংখ্যা (২০১৩-১৪) ঃ ৯৬০ (স্নাতক বৰ্ষ) + ১৪৪৮ (উচ্চতৰ মাধ্যমিক = ২৪০৮

পুৰুষ— ১২০২, মহিলা— ১২০৬

স্থায়ী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৰ্হতা (নামোল্লেখ কৰা হ'ল)

স্বৰ্ণ পদক প্ৰাপ্ত

- মঞ্জিৰা শৰ্মা (অসমীয়া বিভাগ)
- মিনতি বৰ্মণ (পদাৰ্থ বিজ্ঞান)
- ৰেখা ছেত্ৰী (জীৱ বিজ্ঞান)

**Ph. D.**

১) ড° নৃপেন গোস্বামী (অধ্যক্ষ)

২) ড° জয়শ্ৰী ভূঞা (উপাধ্যক্ষ)

৩) ড° কমলেশ্বৰ ঠাকুৰীয়া (অসমীয়া)

৪) ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া (অসমীয়া)

৫) ড° ললিত চন্দ্ৰ ৰাভা (অসমীয়া)

৬) ড° প্ৰাণেশ্বৰ নাথ (ৰাজনীতি বিজ্ঞান)

৭) ড° আলোক দাস (গণিত)

৮) ড° দীপাঙ্কৰ শৰ্মা (গণিত)
৯) ড° নৱজ্যোতি দাস (গণিত)
১০) ড° ৰঞ্জিত বৈশ্য (পদাৰ্থ বিজ্ঞান)
১১) ড° সুশান্ত কুমাৰ ভূঞা (প্ৰানী বিজ্ঞান)
১২) ড° তপন ডেকা (প্ৰাণী বিজ্ঞান)
১৩) ড° ৰেখা ছেত্ৰী (প্ৰানী বিজ্ঞান)
১৪) ড° তপন দত্ত (উদ্ভিদ বিজ্ঞান)
১৫) ড° হবিবুৰ ৰহমান (উদ্ভিদ বিজ্ঞান)
১৬) ড° অপূৰ্ব গোস্বামী (ৰসায়ন)
১৭) ড° জ্যোতি প্ৰসাদ শৰ্মা বৰুৱা (ৰসায়ন)
১৮) ড° মহানন্দ দাস (নৃতত্ত্ব)

**M.Phil**

বিজয়া ডেকা (শিক্ষা), প্ৰণৱ শৰ্মা (পদাৰ্থ বিজ্ঞান) দিপাঞ্জলী কলিতা, পুলক তালুকদাৰ (ইংৰাজী), জিতু ৰাজবংশী (ভূগোল), দিগন্ত কুমাৰ দাস (বুৰঞ্জী), ধীৰাজ দাস (গণিত)

**NET** আৰু **SLET**

ড° ললিত চন্দ্ৰ ৰাভা, ড° দীপাঙ্কৰ শৰ্মা, পুলক তালুকদাৰ, অলিম্পা ভূঞা, ভৈৰবী বড়ো

সম্পূৰ্ণ প্ৰদূষণ মুক্ত, সেউজীয়া বিশাল পৰিসৰেৰে মহাবিদ্যালয়ৰ বুকুত আছে—

- এটা উন্নত মানদণ্ডৰ লাইব্ৰেৰী।
- এটা উন্নত মানদণ্ডৰ আলোচনা গৃহ।
- ষ্টেডিয়ামৰে সৈতে এখন খেল পথাৰ
- NETWORK RESOURCE CENTRE
- ছাত্ৰী নিৱাস
- INDOOR STADIUM (নিৰ্মাণ কাৰ্য্য চলি আছে)
- SWIMMING POOL (নিৰ্মাণ কাৰ্য্য চলি আছে)
- INTERNET
- INSTITUTIONAL BIOTECH HUB
- আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ
- জীৱবিজ্ঞান গৱেষণা লেবৰেটৰী
- লেবৰেটৰী তথা শ্ৰেণী কোঠা।
- GIS LAB
- LANGUAGE LAB
- BOTANICAL GARDEN
- INFORMATION & CAREER GUIDANCE CELL
- DAY CARE & HEALTH CARE ROOM
- NSS UNIT
- AMRIT PRABHA RANGER TEAM
- কেণ্টিন
- ছাত্ৰ তথা ছাত্ৰীৰ কমন ৰুম।
- বিশুদ্ধ খোৱা পানী
- PARKING SHADES

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ এটি আভাস এইখিনিতে দিবলৈ যত্ন কৰা হ'ল ঃ—

| | | |
|---|---|---|
| সৰ্বমুঠ কিতাপৰ সংখ্যা | — | ২১২৮৪ |
| (Text Book) মূল পুথি | — | ১৬২৭৬ |
| প্ৰাসঙ্গিক পুথি | — | ৫০০৮ |
| আলোচনী | — | ২০ |
| Current Journals | — | ২৫ |
| বাতৰি কাকত | — | ০৭ |

গ্ৰন্থাগাৰত থকা সা-সুবিধা সমূহ

১) ছাত্ৰ-ছাত্ৰী পঢ়িবলৈ কোঠা
২) শিক্ষক-শিক্ষয়িত্ৰী পঢ়িবলৈ আচুতীয়া কোঠা
৩) INTERNET
৪) OPAC
৫) CAS
৬) কম্পিউটাৰ
৭) Information display and Notification

অৰ্থ সংগ্ৰহৰ উৎস (Source of Funding)

১) সাংসদ / বিধায়ক
২) DBT/DST
৩) UGC
৪) Fees (মাচুল)
৫) ৰাজ্য চৰকাৰ

৬) অভিভাৱক সংস্থা

৭) প্ৰাক্তন ছাত্ৰৰ সন্থা

৮) স্ব-ব্যয়সাধ্য পাঠ্যক্ৰম (Self financing Courses)

৯) KKHSOU

১০) দান-বৰঙণি

শিক্ষাদান / শিক্ষাগ্ৰহণৰ পদ্ধতি ঃ

১) শ্ৰেণীকোঠাত পাঠদান বক্তৃতা শৈক্ষিক সজুলিৰ ব্যৱহাৰ Digital learning/ teaching

২) ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনাচক্ৰৰ দ্বাৰা বিষয়বস্তুৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ দখলৰ বিষয়ে সম্যক ধাৰণা।

৩) Project work

৪) ক্ষেত্ৰ অধ্যয়ন

৫) Remedial Courses

মূল্যায়নৰ পদ্ধতি

১) Home Assignment (কোনো বিষয়ৰ ওপৰত ঘৰত প্ৰস্তুত কৰা টোকা)

২) Unit Test, Sessional আৰু Terminal পৰীক্ষা

**Major and Minor Research Projects**

**(২০০৫-২০১৪)**

সম্পূৰ্ণ হোৱা Research Projects —

| | | |
|---|---|---|
| Major Projects | — | ০৫ |
| Minor Projects | — | ১৮ |
| মুঠ Projects | — | ২৩ |

সম্পূৰ্ণ হ'বলৈ বাকী থকা ..

| | | |
|---|---|---|
| Major Projects | — | ০৫ |
| Minor Projects | — | ১৮ |
| মুঠ Projects | — | ২৩ |

মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ভালেসংখ্যক গৱেষণা পত্ৰ বিভিন্ন প্ৰতিস্থিত কাকত আলোচনীত প্ৰকাশ হৈছে। ইয়াৰে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ৭৮ খন, ৰাষ্ট্ৰীয় পৰ্য্যায়ত ৭৫ খন আৰু Seminar Proceedings ২৬ খন গৱেষণা পত্ৰ প্ৰকাশ পাইছে। তদুপৰি ভালেমান গ্ৰন্থও মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে প্ৰস্তুত কৰি উলিয়াইছে। ইয়াৰে ৩০খন গ্ৰন্থও মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ নিজৰ ৰচনা, ০৭খন সম্পাদিত গ্ৰন্থ আৰু আন গ্ৰন্থত প্ৰকাশ পোৱা লিখনীৰ সংখ্যা-- ২৬ খন।

মহাবিদ্যালয়ত অনুস্থিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ ঃ

১) ২০০৮ চনৰ ২৪ আৰু ২৫ অক্টোবৰত-- "Wetland and Livelihood"

২) ২০১২ চনৰ ৩০ নৱেম্বৰত — "Literature, Culture and Philosophy of Sankardeva".

৩) ২০১৩ চনৰ ৬ আৰু ৭ নৱেম্বৰত — "Forest Resources of Assam, Depletion, Regeneration and Challenges of Conservation."

মহাবিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ যোৱা ৪ বছৰৰ ফলাফল এনেধৰণৰ ঃ

কলা শাখা ঃ

| | | |
|---|---|---|
| ২০১০ চনত | মুঠ অৱতীৰ্ণ | — ৬০ |
| | উত্তীৰ্ণ | — ৩৯ |
| | উত্তীৰ্ণৰ হাৰ | — ৬৫% |
| ২০১১ চনত | -মুঠ অৱতীৰ্ণ | - ১৩৮ |
| | উত্তীৰ্ণ | - ১০১ |
| | উত্তীৰ্ণৰ হাৰ | - ৭৩.১০% |
| ২০১২ চনত | মুঠ অৱতীৰ্ণ | - ১৭৩ |
| | উত্তীৰ্ণ | - ১১৬ |
| | উত্তীৰ্ণৰ হাৰ | - ৬৭% |
| ২০১৩ চনত | মুঠ অৱতীৰ্ণ | - ১৯৩ |
| | উত্তীৰ্ণ | - ১১৮ |
| | উত্তীৰ্ণৰ হাৰ | - ৬১.১০% |

বিজ্ঞান শাখা ঃ

| | | |
|---|---|---|
| ২০১০ চনত | মুঠ অৱতীৰ্ণ | - ১৪ |
| | উত্তীৰ্ণ | - ৯ |
| | উত্তীৰ্ণৰ হাৰ | - ৬৪.২% |
| ২০১১ চনত | মুঠ অৱতীৰ্ণ | ১৩ |
| | উত্তীৰ্ণ | -৯ |
| | উত্তীৰ্ণৰ হাৰ | - ৬৯.২% |
| ২০১২ চনত | মুঠ অৱতীৰ্ণ | - ১০ |
| | উত্তীৰ্ণ | - ৯ |
| | উত্তীৰ্ণৰ হাৰ | - ৯০% |
| ২০১৩ চনত | মুঠ অৱতীৰ্ণ | - ১৪ |
| | উত্তীৰ্ণ | - ১১ |
| | উত্তীৰ্ণৰ হাৰ | - ৭৮.৫% |

মহাবিদ্যালয়ৰ যুৱ-প্ৰতিভাৱ এটি চমু খতিয়ান ঃ

সাহিত্য, সঙ্গীত, ক্ৰীড়া আদি কলাগত দিশত জৱাহৰলাল নেহৰু মহাবিদ্যালয় পিছ পৰি থকা নাই। মহাবিদ্যালয়ৰ প্ৰকৃত ছবিখনৰ বিষয়ে জানিবলৈ হ'লে

মহাবিদ্যালয়খনৰ যুৱ প্ৰতিভাৰ যথাৰ্থ মূল্যায়ন অতি প্ৰয়োজনীয়। সঙ্গীতৰ ক্ষেত্ৰত প্ৰাক্তন আৰু সম্প্ৰতি অধ্যয়নৰত বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীৰ নাম গৌৰৱেৰে ল'ব পাৰি। উদাহৰণ স্বৰূপে শ্ৰীদামোদৰ বড়া (লক্ষ্ণৌ ভাটখাণ্ডে বিদ্যাপীঠৰ এম. মিউজ, ৰাজ্যিক চৰকাৰী সঙ্গীত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা), বকো সঙ্গীত মহাবিদ্যালয়ৰ অধ্যক্ষ, একনিষ্ঠ সঙ্গীত সেৱী, সুৰকাৰ শ্ৰীনগেন কলিতা (কণ্ঠ সঙ্গীত বিশাৰদ), শ্ৰীকমলেশ্বৰ ঠাকুৰীয়া (কণ্ঠ সঙ্গীত বিশাৰদ) দীপিকা কলিতা (কণ্ঠ সঙ্গীত বিশাৰদ) দীপিকা দেৱী (কণ্ঠ সঙ্গীত বিশাৰদ) ইৰা বায়ন (কণ্ঠ সঙ্গীত বিশাৰদ), শ্ৰীকীৰ্তিনাথ ডাকুৱা ফুকন (তবলা বিশাৰদ), শ্ৰীবলেন ৰাভা, জ্যোৎস্না ৰাভা (কণ্ঠ সঙ্গীত বিশাৰদ), হীৰা ৰাভা, ভাৰত চৌধুৰী, প্ৰদীপ কলিতা, পদুমী পাঠক, জুৰি বৰুৱা আদিৰ নাম উল্লেখযোগ্য। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে প্ৰাক্তন ছাত্ৰ শ্ৰীবলেন ৰাভাই কিছু বছৰ আগতে আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা যোগদান কৰি ৰাভা গীতত প্ৰথম পুৰস্কাৰ লাভ কৰি সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। সেইদৰে তাৰ কেইবছৰমান পিছত প্ৰাক্তন ছাত্ৰী শ্ৰীজ্যোৎস্না ৰাভায়ো আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত ৰাভা গীতত প্ৰথম পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়ৰ সু-নাম, সু-যশ বিয়পাইছিল, শ্ৰীমতী ৰাভা সম্প্ৰতি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী নিয়মীয়া শিল্পী। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ভাৰত চৌধুৰী এগৰাকী কণ্ঠশিল্পীয়ে নহয়— গীতিকাৰ আৰু সুৰকাৰো। পৰৱৰ্তী সময়ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী বুলুমনি ৰাভা (পাঞ্চুনা)ই আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সোণৰ, ৰূপৰ পদকেৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িওৱাৰ উপৰিও অসমৰ বিভিন্ন মঞ্চত গীত পৰিবেশন কৰি, দূৰদৰ্শন, অনাতাঁৰ কেন্দ্ৰত গীত পৰিবেশন কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ২০১৩-১৪ চনত ছয়গাওঁ কলা-কৃষ্টি বিকাশ কেন্দ্ৰই আয়োজন কৰা ভূপেন্দ্ৰ সঙ্গীত, জ্যোতি সঙ্গীত, বৰগীত আৰু ৰচনা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ে "শ্ৰেষ্ঠ মহাবিদ্যালয়"ৰ বিশেষ বঁটাৰ অধিকাৰী হ'বলৈ সক্ষম হৈছে (অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে-- জোনমণি দাস, বাবুল কৈৱৰ্ত, মনামী ডেকা, চম্পক ৰাভা আৰু মৃনাল বড়ো)। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ মৃনাল বড়োৱে বিভিন্ন প্ৰতিযোগিতাত বাঁহী বাদনেৰে পুৰস্কৃত হ'বলৈ সক্ষম হৈছে। ২০১২-১ চনত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি বৰগীতত বাবুল কৈৱৰ্তই প্ৰথম আৰু পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতত জোনমনি দাসে দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। চম্পৰৰ চনত ডন বস্ক' ইঞ্জিনিয়াৰিং কলেজে আয়োজন কৰা আন্তঃ মহাবিদ্যালয় নাটক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী বিউটি ৰয়ে "শ্ৰেষ্ঠা অভিনেত্ৰী"ৰ গৌৰৱ অৰ্জন কৰে। তদুপৰি আবৃত্তিৰ ক্ষেত্ৰতো আমাৰ মহাবিদ্যালয়ে সদায়ে এক উচ্চমান বজাই ৰাখিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত শ্ৰীৰঞ্জুৰাণী কলিতা, কুলেন্দ্ৰ ৰয়চৌধুৰী, তৃপ্তিময়ী তালুকদাৰ, স্বৰ্ণময়ী তালুকদাৰৰ নাম উল্লেখনীয়। কুলেন্দ্ৰ ৰয়চৌধুৰী বৰ্তমান এজন প্ৰতিস্থিত নাট্যকাৰ পৰিচালক।

খেলা-ধূলাৰ ক্ষেত্ৰতো জৱাহৰলাল নেহৰু মহাবিদ্যালয় পিচ পৰি থকা নাই। বিশেষকৈ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত ফুটবল প্ৰতিযোগিতাত আমাৰ ছাত্ৰসকলে সদায় উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি আহিছে। এই ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ খেলুৱৈ মঃ চামাদ আলী, ভাৰত চৌধুৰী, ভৱানী দাস কৰ্ণ ভূষণ ৰাভা, হৰফুল্ল বড়ো, ভূষণ ঠাকুৰীয়া, মনো বসুমতাৰী আদিৰ নাম স্মৰণীয়। তদুপৰি ২০০৬ চনত গুৱাহাটীত অনুস্থিত হোৱা ৩৩ তম ৰাষ্ট্ৰীয় খেল (National Games) ত ৱুচু (Wushu) খেলত অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ মণ্টু বড়ো আৰু ছাত্ৰী উষা বড়োৱে 'ব্ৰঞ্জ'ৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ২০০৬-২০০৭ চনত অনুস্থিত হোৱা "All Assam Rural Sports Tournament" ত আমাৰ মহাবিদ্যালয়ৰ মৌচুমী দৈমাৰীয়ে 'কাবাডী' খেলত 'Champion' ৰ গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে। আকৌ মৌচুমীয়েই ২০০৪-২০০৫ ত "12th All Assam Judo Championship' ত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ২০১২ চনত ইম্ফলত অনুস্থিত হোৱা IFMA India MUAYTHAI Challenger Cup ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ হীৰক জ্যোতি দাসে সোণৰ পদক অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনিবলৈ সক্ষম হৈছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ দীপজ্যোতি বড়োৱে ২০১৩ চনত "Body Building" ত অংশ গ্ৰহণ কৰি "Mr. Kamrup" (1st Prize) উপাধিৰে বিভূষিত হ'বলৈ সক্ষম হৈছে। দুবাৰকৈ শৰীৰ চৰ্চা বিভাগত "গুৱাহাটী বিশ্ববিদ্যালয়" খ্যাতি লাভ কৰি সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হোৱা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ জীতেন কলিতাক আজিও পাহৰিব পৰা নাই। ২০১০ চনত চামতা পথাৰত অনুষ্ঠিত

হোৱা ৰাজ্যিক পৰ্যায়ৰ ৰ'ভাৰ ৰেঞ্জাৰ সমাৰোহত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ ৰেঞ্জাৰ জ্যোতিপ্ৰভা অধিকাৰীয়ে শ্ৰেষ্ঠ ৰেঞ্জাৰ হিচাপে গৌৰৱ বুটলিবলৈ সক্ষম হৈছিল। এই সমাৰোহত মহাবিদ্যালয়ৰ ছয় জনীয়া দলটিয়ে মুঠ ১১টি মেডেল লাভ কৰিছিল।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ এটি চমু আভাসো এইখিনিতে দিবলৈ যত্ন কৰা হ'ল। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নৰকুমাৰ মিশ্ৰই সাংবাদিকতাৰ যোগেদি যথেষ্ট জনপ্ৰিয় হৈছিল। শ্ৰীমিশ্ৰই "সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ" সভাপতিৰ আসনো শুৱনী কৰিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা জৱাহৰজ্যোতিৰ প্ৰাক্তন সম্পাদক শ্ৰীনৰমোহন ৰায় চৰকাৰ একেধাৰে কবি, গল্পলেখক, প্ৰৱন্ধকাৰ আৰু সাংবাদিক। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বিমল মজুমদাৰ, বীৰেন ৰাভা, ফজলুৰ ৰহমান আদিয়েও বিভিন্ন কাকত আলোচনীত, কবিতা লিখি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। বৰ্তমানৰ এজন উদীয়মান যুৱ কবি শ্ৰীকুলেন্দ্ৰ ৰয়চৌধুৰীও আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বৰ্তমান বকো মহাবিদ্যালয়তে অসমীয়া বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াই অহা ড° ক্ষীৰোদ ঠাকুৰীয়া, ড° কমলেশ্বৰ ঠাকুৰীয়া আৰু ড° ললিত ৰাভায়ো বিভিন্ন কাকত, আলোচনীত প্ৰৱন্ধ-কবিতা আদি লিখি জনসমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ড° ক্ষীৰোদ ঠাকুৰীয়াৰ অনুবাদ কবিতাসমূহ হৃদয়স্পৰ্শী। ড° কমলেশ্বৰ ঠাকুৰীয়া আৰু ড° ললিত ৰাভাৰ কেবাখনো তত্ত্বগধুৰ গ্ৰন্থই অসমীয়া সুহৃদ পাঠকক ৰসাপ্লুত কৰিবলৈ সক্ষম হৈছে।

আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ তথা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশত থকা প্ৰতিভাৰ এয়া এক থুলমুল খতিয়ানহে। প্ৰতিভাৰ আৰু বহুতো সম্ভাৱনা হয়তো অনুদ্ঘাটিত হৈ আছে আৰু সময়ত সিয়ে আশানুৰূপ বিকাশ লাভ কৰিব বুলি আমি আশা কৰিব পাৰোঁ।

**এক সুস্থ শৈক্ষিক বাতাবৰণেৰে জৱাহৰলাল নেহৰু মহাবিদ্যালয় ঃ**

মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক বাতাবৰণে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ কৰ্মপথত এক বলিষ্ঠ পদক্ষেপ আগবঢ়োৱাৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহনা যোগাইছে বুলি কলেও অত্যুক্তি কৰা নহব যেন লাগে। প্ৰতি বছৰে চূড়ান্ত পৰীক্ষাসমূহত ছাত্ৰ-ছাত্ৰীসকলে দেখুৱাই অহা ফলাফল সমূহে সেই কথাকে প্ৰমাণ কৰে। তদুপৰি মাহেকে-পষেকে পাঠ্যক্ৰমৰ সৈতে সঙ্গতি ৰাখি বিভিন্ন বিষয়ত অনুস্থিত হোৱা আলোচনা চক্ৰ, কৰ্মশালা সমূহে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক-দিগন্ত সম্প্ৰসাৰিত কৰাত যথেষ্ট সহায় কৰিছে। এইবোৰৰ উপৰিও মাজে মাজে অনুস্থিত হৈ থকা Career Counceling ১ Course সমূহেও ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে মূৰ গুজিব পৰাকৈ কিবা এটা পথৰ সন্ধান আগতীয়াকৈ দিয়ে আৰু ইয়াৰ দ্বাৰা বহুতো ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। পুৱা ৯-১৫ মিনিটৰ পৰা বিয়লি -ৰপ্ত মিনিটলৈ (প্ৰেক্টিকেল থাকিলে ৪.৩০ বজালৈকে) শ্ৰেণী সমূহ নিয়মীয়াকৈ বহে আৰু প্ৰত্যেক তিনিমাহৰ মূৰত ২ টাকৈ Sessional পৰীক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰা হয়। মহাবিদ্যালয়ত কলাৰ ৯ টা আৰু বিজ্ঞানৰ ৫ টাকৈ সৰ্বমুঠ ১৪ টা বিভাগ আছে আৰু প্ৰতিটো বিভাগতে মেজৰ লৈ পঢ়িব পৰা ব্যৱস্থা আছে। ২০১১-১২ চনৰ পৰা মহাবিদ্যালয়ত স্নাতক পৰ্য্যায়ত Semester system ৰ আৰম্ভণি হয় আৰু এই পদ্ধতিতো ছাত্ৰ-ছাত্ৰীসকলে সু-ফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

**মহাবিদ্যালয়ৰ ভৱিষ্যৎ কাৰ্য্যপন্থা ঃ**

১) বৃত্তিমুখী আৰু স্ব-নিয়োজন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনক নিৰাপত্তা প্ৰদান কৰা।

২) কিছুমান বিশেষ বিভাগত স্নাতকোত্তৰ শ্ৰেণী খোলা।

৩) থলুৱা সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত গৱেষণামূলক অধ্যয়ন আৰু ইয়াৰ সম্প্ৰসাৰিত কাৰ্য্যপন্থাৰ দ্বাৰা উপযোগিতাৰ সঠিক মূল্যায়ন।

৪) বাণিজ্য শাখা মুকলি।

৫) ছাত্ৰাৱাস এটি নিৰ্মাণ কৰা।

বৰ্তমান ইউ, জি, চি, (U.G.C.) আৰু মহাবিদ্যালয়ৰ অধীনত কেইটিমান বৃত্তিমুখী পাঠ্যক্ৰমৰ প্ৰশিক্ষণ মহাবিদ্যালয়ত দি থকা হৈছে। সেইকেইটা হ'ল—

| বিষয় | বিভাগ | সময় |
|---|---|---|
| Computer Basic | CNC | তিনিমহীয়া |
| Montessori Method | শিক্ষা | ছয়মহীয়া |
| Mushroom Cultivation | উদ্ভিদবিদ্যা | ছয়মহীয়া |
| Spoken English | ইংৰাজী | এমহীয়া |

মহাবিদ্যালয়ে কম্পিউটাৰৰ ক্ষেত্ৰত আগবঢ়াই অহা স্ব-বিত্ত বিনিয়োগ পাঠ্যক্ৰমৰ (Self-Financed Courses)

সবিশেষ এনেধৰণৰ—

| ক্ৰমিক নং | পাঠ্যক্ৰম | সময় |
|---|---|---|
| ১) | TALLY | দুমাহ |
| ২) | DTP | তিনিমাহ |
| ৩) | DCA | তিনি/ ছয়মাহ |
| ৪) | Net working | এমাহ |
| ৫) | C-Programming | দুমাহ |

**মহাবিদ্যালয়ত নামভৰ্ত্তিকৰণ প্ৰক্ৰিয়া ঃ**

হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল ঘোষণাৰ পিছতেই মহাবিদ্যালয়ৰ "Notice Board" ত নামভৰ্তিকৰণৰ বাবে জাননী দিয়া হয়। ৰাজহুৱা স্থানতো প্ৰ-পত্ৰ জমা দিয়াৰ অন্তিম দিন, নামভৰ্ত্তিকৰণৰ তাৰিখ আদি উল্লেখ কৰি জাননী দিয়া হয়। প্ৰ-পত্ৰ সমূহ জমা দিয়াৰ পিছত "Admission Committee" ৰ সদস্য সকলে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্ধাৰিত নীতি অনুসৰি মেধাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচন কৰে আৰু নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ নামৰ তালিকা প্ৰস্তুত কৰে। সেইমতে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিকৰণ হয় আৰু 'মেজৰ' ল'ব বিচৰা ছাত্ৰ-ছাত্ৰীৰ যিটো বিষয়ত মেজৰ ল'ব বিচাৰে সেই নিৰ্দ্দিষ্ট বিষয়ত নম্বৰ চাইহে 'মেজৰ' দিয়া য় নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সাধাৰণতে 'মেজৰ' ল'ব বিচৰা বিষয়টোত ৫০% নম্বৰ পালেহে তেওঁক সেই বিষয়ত 'মেজৰ' ল'ব পৰা বুলি বিবেচনা কৰা হয়। কেতিয়াবা কোনো কোনো বিভাগে 'মেজৰ'ৰ বাবে পৰীক্ষা অনুস্থিত কৰে আৰু ফলাফলৰ ভিত্তিত 'মেজৰৰ' যোগ্যতা নিৰ্বাচন কৰে।

**মহাবিদ্যালয়ৰ 'দাপোন' "জৱাহৰজ্যোতি" ঃ**

মহাবিদ্যালয়ৰ মুখপত্ৰ "জৱাহৰজ্যোতি" যেন মহাবিদ্যালয়খনৰ দাপোন স্বৰূপ। সাহিত্য কাননত ছাত্ৰ-ছাত্ৰীসকলৰ অৰ্দ্ধপ্ৰস্ফুটিত প্ৰতিভাক পূৰ্ণ প্ৰস্ফুটিত কৰি সুগন্ধি বিয়পোৱাৰ মাধ্যম হিচাপে "জৱাহৰজ্যোতি"য়ে বিগত ৩৬ বছৰে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। জৱাহৰজ্যোতিৰ পাতত ছাত্ৰ-ছাত্ৰীসকলৰ মনত তোলপাৰ লগাই থকা ভাৱৰাশিয়ে প্ৰকাশ লাভ কৰে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক- সকলো দিশকে সামৰি বিভিন্ন প্ৰবন্ধ লিখাৰ উপৰিও গল্প কবিতা, ব্যঙ্গ ৰচনাৰ সমাহাৰেৰে অপূৰ্ব আকৰ্ষনীয় ৰূপত প্ৰত্যেক শিক্ষা বৰ্ষতে সহৃদয় পাঠকৰ হাতত ধৰা দিয়েহি "জৱাহৰজ্যোতি"য়ে। ছাত্ৰ-ছাত্ৰী সকলৰ কোমল মনৰ মূৰ্ত্ত প্ৰকাশ ঘটে "জৱাহৰজ্যোতি"ত। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লিখনিয়ে সোণত সুৰগা চৰায়। সম্পাদনা সমিতি তথা এজন তত্ত্বাৱধায়ক, এজন সম্পাদক আৰু এজন সহকাৰী সম্পাদকৰ তৎপৰতাত প্ৰতি শিক্ষাবৰ্ষৰ মাজভাগত "জৱাহৰজ্যোতি"য়ে ভূমুকি মাৰে।

দুবাৰকৈ 'নাক'ৰ (NAAC-- National accreditation and assesment council) দ্বাৰা মূল্যায়ন হোৱা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বুকুত আছে ভৱিষ্যতৰ প্ৰচুৰ সম্ভাৱনা, আছে বহুতো সোনোৱালী সপোন। আমি গৌৰৱান্বিত যে আজিৰ পৰা প্ৰুষ্ঠ টা বছৰ পূৰ্বে আমাৰ মহাবিদ্যালয়খন্ উৎসৰ্গা কৰা হৈছিল এনে এগৰাকী বৰেণ্য ব্যক্তিৰ স্মৃতিত যি কেৱল স্বাধীন ভাৰতৰ প্ৰথমজনা প্ৰধানমন্ত্ৰী অথবা আধুনিক ভাৰতৰ মুখ্য নিৰ্মাতা সকলৰ এগৰাকীয়ে নাছিল, তাৰ লগতে আছিল পৃথিৱীয়ে এতিয়ালৈকে সৃষ্টি কৰা কালজয়ী নেতা সকলৰ অন্যতম। এই গৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তিৰ পৱিত্ৰ স্মৃতিত আমাৰ মহাবিদ্যালয়খন উৎসৰ্গা কৰা হৈছিল, উদ্দেশ্য— আমাৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ সমাজক চামে চামে, যুগে যুগে তেওঁৰ আদৰ্শনীয় ব্যক্তিত্ব আৰু শাশ্বত আদৰ্শাৱলীৰে উদ্বুদ্ধ কৰা। আজি সোনালী জয়ন্তীৰ অন্তিম ক্ষণতো মহাবিদ্যালয়ে সেই গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। শিক্ষা, কলা-সাহিত্য, সাংস্কৃতিসকলো ক্ষেত্ৰতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে এক বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ সক্ষম হৈছে।

শেষত, আমি সকলোৱে এই শুভ ক্ষণত অঙ্গীকাৰবদ্ধ হওহক যে আমাৰ প্ৰাণৰো প্ৰাণৰ, আমি জীয়াই থকাৰ প্ৰেৰণা স্বৰূপ এই মহাবিদ্যালয় খনক সৰ্বতো প্ৰকাৰে, সৰ্বকালতে অক্ষত অৱস্থাত ৰাখিবলৈ আমি মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্য সদা প্ৰস্তুত থাকিম।" মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে আমি আটায়ে যদি মাৰবান্ধি থিয় দিওঁ— অনাগত দিনত এই মহাবিদ্যালয় "হীৰা" জিলিকাদি জিলিকি থাকিব-- ই ধ্ৰুৱসত্য। প্ৰয়োজন মাত্ৰ আমাৰ আটাইৰে সততা, নিষ্ঠা, একাগ্ৰতা আৰু সহযোগিতাৰ। ০০০

# ১৯৬৪ চনৰ বকোৰ মহাযুদ্ধ

প্ৰাণেশ্বৰ বড়ো
প্ৰাক্তন ছাত্ৰ

মানৱ আৰু আলোক দুই বন্ধু। দুয়ো বন্ধু সদায় লগ হৈ ঘূৰি ফুৰে। ঘূৰি ফুৰা সিহঁতৰ এটা চখ। মানৱ এজন চিত্ৰকৰ। সি চিত্ৰ আঁকি ভাল পায়। সি বিভিন্ন চিত্ৰ আঁকে। যেনে-ৰজা-মহাৰজাৰ চিত্ৰ, দুখত আউলী-বাউলী হৈ ক্ৰন্দনৰত মহিলাৰ চিত্ৰ, ঢোল-পেপাঁৰে সু-সজ্জিত হৈ বিহু মৰা দৃশ্যৰ চিত্ৰ, নামঘৰত ভোৰতাল বজাই বৰগীত গোৱা পুৰোহিতৰ চিত্ৰ, সবাহ বা মাৰে ঘৰত নাচা ওজাপালি/দেওধনীৰ, পেটৰ ভোক কাতি কৰি হালোৱাই পথাৰত হাল বোৱা চিত্ৰ, পানী কেচুৰা এটিক বুকুত বান্ধি ৰুৱনীয়ে ভুই ৰোৱা চিত্ৰ, দাউনী এজনীয়ে পথাৰত ধান দাই কেনেকৈ লক্ষ্মী চপায় তাৰ চিত্ৰ, প্ৰেমিকে প্ৰেমিকাক আৰু প্ৰেমিকাই প্ৰেমিকক লগপোৱাৰ বাবে অপেক্ষাৰত চিত্ৰ, ওপৰুৱাকৈ ভাল পাব বিচৰা ব্যৰ্থ প্ৰেমিকৰ চিত্ৰ, শিক্ষাগুৰুৱে ক্লাছত সুন্দৰকৈ পাঠদান কৰা চিত্ৰ, পূব দিশত পাহাৰৰ সোঁমাজত উদয় হোৱা সূৰ্যৰ চিত্ৰ, পশ্চিম আকাশত পানীৰ চাকনৈয়াত বেলি মাৰ যোৱা চিত্ৰ, শ্যামল বননি আৰু শ্যামল ঘাঁহনিৰ চিত্ৰবোৰ এদিন পূৰ্ণিমাৰ জোনাক ৰাতি চাই আছিল। এনেতে শ্যামঙ্গী মহিলা এগৰাকী আবিৰ্ভাৱ হৈ ক'লে-

শ্যামলী - মানৱ!

মানৱে থতমত খাই ক'লে-কোন তুমি?

শ্যামলী- মই শ্যামলী; বকো অঞ্চলৰ জিয়ৰী।

মানৱ - এই নিশা কিয় আহিলা?

শ্যামলী -তাকেইতো। তুমি বহু চিত্ৰ আকিছা। কিন্তু বকোৰ আটাইতকৈ সৌন্দৰ্যশীল তথা জোতিৰ জ্যোতি চিত্ৰ অঁকা নাই।

মানৱ - মানে?

শ্যামলী - কও শুনা। ১৯৬৪ চনত বকো অঞ্চলত এখন মহা যুদ্ধ হৈছিল। সেই যুদ্ধৰ চিত্ৰ এতিয়াও অঁকা নাই।

মানৱ -মহাযুদ্ধ।

শ্যামলী - এৰা! মহাযুদ্ধ

বকো অঞ্চলৰ চোকাবাহা গাঁৱৰ ওচৰৰ জাৰাপাৰা গাঁৱত জ্যোতিৰ বাবে এখন মহাযুদ্ধ হৈছিল। এই যুদ্ধ বন্দুক-বাৰুদ বা আগ্নেয় অস্ত্ৰৰ যুদ্ধ নহয়। ই এখন শীতল যুদ্ধ। এই যুদ্ধত ধ্বংস নাই, ই এক সৃষ্টিৰ যুদ্ধ।

মানৱ— মহাযুদ্ধই ধ্বংস কৰে, সৃষ্টি নকৰে।

শ্যামলী— ভুল ধাৰণা, সৃষ্টি কৰে মানৱ, সৃষ্টি কৰে।

মানৱ — কৰে! কেনেকৈ? তেনে এই যুদ্ধৰ ৰথী-মহাৰথী কোন?

শ্যামলী— এই বকো অঞ্চলৰ ৰাইজ।

মানৱ— তুমি কৈ যোৱা। মই সেইবোৰৰ চিত্ৰ আঁকিম।

শ্যামলী — তেনে শুনা-। 'বকো' হৈছে-'বকো-বনগাঁও', লুকী-বেকেলী, ছমৰীয়া, নগৰবেৰা মৌজাৰ মধ্যস্থল। এই ছয় মৌজাক বকো অঞ্চল বোলা হয়। এই বকো টাউনৰ নাতি দূৰত চোকাবাহা আৰু জাৰাপাৰা নামৰ দুখন গাঁও। এই গাঁও দুখন অটব্য হাবিৰে ভৰা। এই হাবিৰ গছ-গছনিবোৰত চৰাই-চিৰিকটিয়ে বাঁহ সাজি বাস কৰিছিল বাবে চোকা বাহা হয় আৰু এই চোকা বাহাৰ গাতে লাগি থকা গাঁও জাৰাপাৰা। য'ত মহাযুদ্ধখন হৈছে। এই গাঁৱৰ মানুহবোৰ বৰ সৰল সহজ অৰ্থাৎ তেওঁলোকক অজলা বুলি কৈছিল। অজলা মানুহক বড়ো ভাষাত জালহুৱা বা জাৰা বুলি কয়। কোৱা বাহুল্য যে এই গাঁৱত সেই সময়ত প্ৰতি বছৰে এজন নহয় এজন লোক পৰীৰ দৃষ্টিত পৰি জাৰা হয় বাবে কালক্ৰমত এই গাওঁখনক জাৰাপাৰা বুলি কয়। এই জাৰাপাৰাতে মহাযুদ্ধৰ স্থান ঠিক কৰি বকো হাইস্কুলৰ প্ৰধান শিক্ষক তথা শিক্ষাবিদ অচ্যুত কান্ত অধিকাৰীদেৱক চিন্তা নায়ক হিচাপে লৈ এই যুদ্ধ আৰম্ভ কৰে। এই যুদ্ধৰ নায়ক হিচাপে ওলাই আহে সেই সময়ৰ বিধায়ক প্ৰবীন কুমাৰ চৌধাৰী, সমাজ সেৱক বলোবড়ো, জনাৰ্দন শৰ্মা, কাতিৰাম ৰাভা, পূৰ্ণ দাস, ৰবী দাস, নবীন কলিতা, পূৰ্ণ চৌধুৰী, ধীৰো নাথ চৌধুৰী,

যোগেন বড়ো, উদয় গাঁওবুঢ়া, ভোগীৰাম গাঁওবুঢ়া, কল্প মজুমদাৰ, গজেন ৰাভা আদি লোকবোৰ আৰু সেই সময়ৰ বকো হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰী বৃন্দৰ সহিতে বকো বাসী ৰাইজ।

এই যুদ্ধ যাত্ৰাৰ স্থান দিনৰ দুটা বজাত বকো হাইস্কুলৰ প্ৰাঙ্গণৰ পৰা জাৰাপাৰা যুদ্ধ স্থানলৈ-ছাত্ৰ-ছাত্ৰীৰ দীঘলীয়া শাৰীৰ সহিতে বকোৰ ৰাইজৰ লগতে অসম চৰকাৰৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা সহিতে মুগা-খোল আৰু জাৰাপাৰাৰ বিজয় বাসনাৰ বেনপাৰ্টি।

বাটত শ্লেগান দিয়া হয়।
আমাৰ যাত্ৰা শুভ হ'ক
ইনক্লাব জিন্দবাদ
ব'ল ব'ল ব'ল
আগুৱাই ব'ল
সত্যৰ আলোক জ্বলাবলৈ ব'ল।
অ শতদল
বল আগুৱাই ব'ল
শান্তিৰ সোঁত বোৱাবলৈ ব'ল।
অ শত দল।
লেফ্‌ট ৰাইট লেফ্‌ট ৰাইট।

নিৰ্দিষ্ট স্থান পাই গঙ্গাৰ জলেৰে স্থান পৱিত্ৰ কৰি অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা কলংপৰীয়াৰ "সাগৰ দেখিছা" কবিতা পুথিৰ কবি দেৱকান্ত বৰুৱাৰ পবিত্ৰ হাতেৰে এই পোহৰৰ মহাযুদ্ধৰ লাই স্তম্ভ সেই সময়ৰ প্ৰয়াত ভাৰতৰ প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ পৱিত্ৰ স্মৃতি ৰক্ষাৰ্থে এই স্থাপন কৰি নামকৰণ কৰা হয়-"জৱাহৰলাল নেহৰু কলেজ।"

লগে লগে ধ্বনিত হয়
জৱাহৰ জ্যোতি
উজ্জ্বলি উঠক
জৱাহৰজ্যোতি
উজ্জ্বলি উঠক।

ইয়াৰ লগে লগে বকো হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা মহেশ্বৰ ৰাভা, পৰমেশ্বৰী বড়ো আদি বহু ছাত্ৰ-ছাত্ৰীয়ে এই স্তম্ভত শান্তিজল আৰু চিমেণ্ট প্ৰদান কৰে। শেষত সকলোৱে বকো হাইস্কুলৰ প্ৰাঙ্গণলৈ আহি গৃহ-মুখে ঢাপলি মেলে।

মানৱ, এইখনেই আছিল তেতিয়াৰ বকোৰ মহাযুদ্ধ। এই যুদ্ধ ইমানতে শেষ হোৱা নাই। তাৰ বাবে লাগিল শিক্ষাবিদ ছাত্ৰ-ছাত্ৰী আৰু অৰ্থ। সেয়ে জ্যোতি প্ৰদানৰ বাবে মহানায়ক অৰ্থাৎ অধ্যক্ষ হিচাপে শিক্ষাবিদ অচ্যুত অধীকাৰীৰ সহযোগী সেই সময়ৰ বকোৰ চক্ৰবিষয়া প্ৰিয় দাস, পিছত অধ্যক্ষ ৰূপে যতীন্দ্ৰ চন্দ্ৰ নাথৰ অধ্যক্ষতাত প্ৰৱক্তা মহেন্দ্ৰ দাস, প্ৰৱক্তা শৰৎ তালুকদাৰ, প্ৰৱক্তা ধৰ্ম্ম কান্ত বৰুৱা, প্ৰৱক্তা মদন কাকতি, প্ৰৱক্তা বসন্ত কুমাৰ দত্ত (পিছত অধ্যক্ষ), প্ৰৱক্তা দ্বিজেন দাস, প্ৰৱক্তা দিলীপ দাস, প্ৰৱক্তা দেবেন শৰ্মা, প্ৰৱক্তা মৃগেন শৰ্মা, প্ৰৱক্তা দিনেশ শৰ্মা আদিয়ে শিক্ষা প্ৰদান কৰি মহাযুদ্ধ আগুৱাই নি সফল কৰি আজি সোণালী জয়ন্তী পাইছে। এই চিত্ৰও তুমি আঁকিবা।

এনেতে আলোক সোমাই আহিল। লগে লগে শ্যামলী অন্তৰ্দ্ধান হ'ল।

'অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি, নিজৰা, নৈ, উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমৰ বহু জাতি,উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যত বিশালতা আৰু বিৰাটতা লাভ কৰিছে।'

*— বিষ্ণু প্ৰসাদ ৰাভা*